


Scanned with OKEN Scanner

# শিপা

হাতে লিখা আলোচনী

অসমীয়া বিভাগ

শিৱসাগৰ ছোৱালী কলেজ

২০১৭ চন

Scanned with OKEN Scanner


# উৎসৰ্গা

জ্ঞানৰ আলোকেৰে আলোকিত কৰা শ্ৰদ্ধাৰ প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষাগুৰু সকলৰ বাবে অসমীয়া বিভাগৰ হাতে লিখা আলোচনী 'লিপি'ৰ চতুৰ্থ সংখ্যাটি আন্তৰিক শ্ৰদ্ধাৰে উৎসৰ্গিত কৰা হ'ল।

ধন্যবাদ

Scanned with OKEN Scanner

# প্ৰবন্ধৰ চানেকি......



প্ৰবন্ধৰ চানেকিৰ মাজত লুকাই থাকে
বাস্তৱ দৃষ্টিৰে লিখা জীৱনৰ কিছুমান
সঁচা অনুভূতি......
যিবোৰ পঢ়ি আমি লাভ কৰিব পাৰোঁ.....
জ্ঞান তথা আনন্দ আৰু এই জ্ঞানসমূহৰ
মাজত আমি বিচাৰি পাব পাৰোঁ
নিজক আৰু সমাজক ।

## সূচীপত্ৰ — পৃষ্ঠা


১) প্ৰবন্ধৰ চানেকি — ১-৩৮

২) গল্পৰ পাপৰি — ৩৯-৪৮

৩) অনুভৱৰ ঝুম্‌কি — ৪৯-৫১

৪) কবিতাৰ কৰ্ষণি — ৫২-৫৭

৫) কৌতুক — ৫৮

৬) জানিবলগীয়া কথা — ৫৯-৭০

৭) কুইজ — ৭১-৭২

৮) মহৎ লোকৰ বাণী — ৭৩-৭৪

# শুভেচ্ছা বাণী

"শিপা" শিৱসাগৰ ছোৱালী কলেজৰ "অসমীয়া বিভাগৰ" ছাত্ৰী সকলৰ বৰণ্যে প্ৰতিভাৰ এক প্ৰকাশ। শিপাই যি দৰে মাটিৰ গভীৰতালৈ গৈ বিশাল বৃক্ষ এজোপাৰ ডাল পাতক সঞ্জীৱনী স্বৰূপ পানী আৰু পৰিপুষ্টি যোগাই থাকে অহৰ্নিশে, ঠিক তেনেদৰে আমাৰ অসমীয়া বিভাগৰ অনন্যতম আলোচনী শিপাইও মহাবিদ্যালয়ৰ প্ৰতিভাৰাজী ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰী তথা সমাজৰ প্ৰতিজনে ব্যক্তিক বৌদ্ধিক পৰিপুষ্টি যোগাই যাওক।

শিপাই কেতিয়াও নিজে পোহৰৰ মুখ নেদেখে অথচ পাত ফুলক পোহৰৰ উৎসৰ ফালে আগুৱাই নিয়ে, সেইদৰে আমাৰ 'শিপা' সকলোৰে বাবে হওক উত্তৰণৰ উৎস।

'শিপাই' প্ৰথম প্ৰকাশ পাইছিল ২০২৪ চনত আজি এইয়া চতুৰ্থ প্ৰচেষ্টা——, এই প্ৰচেষ্টা প্ৰবাহমান হওক, যুগজয়ী হওক।

বিভাগীয় ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰী সকলৰ এই প্ৰচেষ্টা একান্তই প্ৰশংসনীয়। 'শিপাই' আমাৰ ছাত্ৰী সকলৰ উত্তৰণৰ সকলো দিশ আমাৰি দেওক —— তাৰে কামনাৰে—

শ্ৰী অনু শৰ্মা
ভাৰপ্ৰাপ্ত অধ্যক্ষ শিৱসাগৰ
ছোৱালী কলেজ,
শিৱসাগৰ।

# সম্পাদকীয় মেজৰ পৰা

সাহিত্য হৈছে সমাজৰ দাপোণ স্বৰূপ। সাহিত্যক অবিহনে এখন সমাজ কোনো দিশতে আগবাঢ়ি যাব নোৱাৰে। সমাজৰ পৰাহে এখন ৰাষ্ট্ৰ গঢ়ি উঠিব পাৰে। আৰু ৰাষ্ট্ৰ এখনক শীৰ্ষলৈ তুলি নিয়াত সহায় কৰে সাহিত্যৰাজি সমূহে। সমাজ সংশোধনৰ বাবে সকলোৱে ঐক্য, ধৰ্ম আদি এক উপলব্ধিয়ে কৰো যদিও সময়ত জীৱশ্ৰেষ্ঠ মানৱ হিচাপে আমি সামাজিক সীমাবদ্ধতাৰ মাজত সোমাই পৰো। এই ধৰ্ম, ঐক্য, নিৰপেক্ষ আদিৰ সংশোধন বা গুৰুত্ব প্ৰদান কৰি আহিছে এক্ষুটি লেখক-লেখিকা, কাকত-আলোচনী আদিয়ে। বিভিন্ন গ্ৰন্থসমূহৰ লগতে কাকত, আলোচনীয়ে আমাক দেশৰ বিভিন্ন প্ৰান্তৰ খবৰ দিয়ে। বিশেষকৈ আমাৰ সময় পাৰ কৰিবলৈ আলোচনীয়ে যথেষ্ট সহায় কৰে। সাধাৰণতে, প্ৰায় সংখ্যক আলোচনীতেই চিন্তাশীল লেখাৰ পৰা আৰম্ভ কৰি ৰসাল লেখালৈকে প্ৰকাশিত হয়। পাঠকসকলে নিজ মনৰ স্থিতিৰ প্ৰতি লক্ষ্য ৰাখি যিকোনো সময়ত আলোচনীখনৰ যিকোনো লেখা পঢ়িবলৈ ইচ্ছুক প্ৰকাশ কৰিব পাৰে। প্ৰতিখন আলোচনীয়ে সমাজত প্ৰতি একোটা বাৰ্তা কঢ়িয়াই আনে। সময়ৰ গতিত আলোচনী সমূহে জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈ আহিছে।

অৰুণোদয়, তেনেকৈ আলোচনীৰ লগতে পৰৱৰ্তীকালৰ পৰা বৰ্তমানলৈকে প্ৰকাশিত আলোচনীয়ে শীৰ্ষতা লাভ কৰিছে। বৰ্তমান চলিত আলোচনীৰ ভিতৰত 'গৰিয়সী', 'প্ৰান্তিক', 'নন্দিনী', 'প্ৰিয় সখী', 'ৰংমন' আদিৰ নাম উল্লেখনীয়।

প্ৰতিজন লেখকৰ প্ৰতিটো লেখাৰ যোগেদিহে আলোচনী এখনে পৰিপূৰ্ণতা লাভ কৰে। আলোচনী এখনৰ সাৱলীল ভাষাই পাঠকৰ হৃদয় স্পৰ্শ কৰিব পাৰিব লাগিব। আলোচনী এখনৰ গুৰুত্ব বৃদ্ধিৰ মূলতে আছে আলোচনী খনৰ পৰিচালকবৰ্গৰ লগতে লেখক-লেখিকা আৰু পাঠকৰ ঐকান্তিকতা।

ছপা আলোচনীৰ প্ৰয়োজনীয়তা যিদৰে সময়ত বৃদ্ধি পাই আহিছে, ঠিক সেইদৰে হাতে লিখা আলোচনীৰ গুৰুত্ব বা প্ৰয়োজনীয়তাও মনকৰিবলগীয়া। আজি প্ৰায় এটা দশকৰ আগলৈকে ছপা আলোচনীতকৈ হাতে-লিখা আলোচনীয়ে বেছিকৈ প্ৰকাশিত হৈছিল। বৰ্তমানত এই আলোচনীৰ গুৰুত্ব হ্ৰাস পোৱা দেখা যায় যদিও এই আলোচনীৰ পৰম্পৰা অসমত কিছু অংশ লগতে শিক্ষানুষ্ঠানত বৰ্তি আছে। সাধাৰণতে হাতে লিখা আলোচনীয়ে সৃষ্টিশীল বিকাশত সকলোকে বিশেষভাৱে সহায় কৰে। হাতে লিখা আলোচনী এখন প্ৰকাশিত কৰোঁতে কিদৰে কাম কৰিব লগা হয় তাক উপলব্ধি কৰিব পাৰে।

শিক্ষাৰ্থীসকলৰ বাবে হাতে লিখা এনে আলোচনী অতি আৱশ্যক। কিয়নো এনে কৰ্মৰাজিৰ দ্বাৰা প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে নিজৰ সৃষ্টিক বুজালিবলৈ সক্ষম হয়।

এনে মহান আশা আগত ৰাখিয়েই আমাৰ ক্ষুদ্ৰ প্ৰয়াস। হাতে লিখা 'লিপা' আলোচনীখন জীয়াই তুলিবৰ বাবে যিসকলৰ মহান প্ৰচেষ্টা নিহিত হৈ আছে, সকলোটিলৈকে 'লিপা' তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে 'লিপা'ক খামুচি ধাতে সকলো আগবাঢ়ি যাব পাৰে তাৰে শুভকামনাৰে...।

'জয়তু অসমীয়া বিভাগ'

— দৰদী গোঁহাই

# শিপাৰ আঁৰত

উপদেষ্টা :- অসমীয়া বিভাগৰ শিক্ষাগুৰুসকল

সম্পাদনা :- দৰদী গোঁহাই

সহঃ সম্পাদনা :- মমী বৰুৱা

বেটুপাত :- অংকুৰিতা সন্ত।

অলংকৰণ :- মমী বৰুৱা, শুকুলী চেতিয়া

অনুলিখন :- মমী বৰুৱা, চাহিনা বেগম, চুমি খনিকৰ,
ঋপী গগৈ, সান্তনা গগৈ, হিমাশ্ৰী নেওগ,
ঝৰণা দিহিঙ্গীয়া।

সদস্য :- মৃন্ময়ী দুৱৰা, ৰিম্পী গগৈ, কবিতা গোঁহাই,
চুমি গগৈ, জ্ঞানমণি গগৈ, ৰবিনি দাস,
ঋষি দত্ত।

কৃতজ্ঞতা :- যিসকলৰ মহান প্ৰচেষ্টাত শিপাই ঠন
ধৰি উঠিল সেইলোক সকলোলৈকে.....।

# লোক সাহিত্যৰ অন্যতম অংগ : সাধু-কথা

লোক সাহিত্যৰ এক বিশেষ অংগ হ'ল সাধু-কথাসমূহ। ইয়াৰ ব্যুৎপত্তিগত অৰ্থ হ'ল সন্তলোকৰ কথা সাধুকথাৰ অতীত বিচাৰ কৰিলে দেখা যায়, কথা কবলৈ শিকাৰ দিনৰ পৰাই মানুহৰ মুখে মুখে বিভিন্ন কাহিনী প্ৰচলন হৈ আহিছে। ধাৰণা কৰা হয় যে প্ৰাচীন যুগত গুহাত বাস কৰা চিকাৰী প্ৰধান মানুহ-বোৰে জুইৰ কাষত সমবেত হোৱা পৰিয়ালৰ বা অন্যান্য লোকৰ আগত মনে সাজি নিজৰ-নিজৰ চিকাৰী জীৱনৰ বহুবোৰ লৌকিক অ-লৌকিক কাহিনী শুনাইছিল। সেইবোৰ কাহিনীও এক প্ৰকাৰ সাধুকথাৰ দৰেই আছিল। এইদৰে যুগে যুগে দেশে দেশে বিভিন্ন জাতি-জনজাতিৰ মাজত মৌখিকভাৱে চলি অহা সাধুকথাসমূহ ছপাশালৰ উদ্ভাৱনৰ পিছত সংগ্ৰহ কৰি লিখিত ৰূপত প্ৰকাশ কৰাৰ প্ৰয়াস কৰা হ'ল।

পৃথিৱীৰ বিভিন্ন ভাষাৰ দৰে অসমীয়া ভাষাতো বিভিন্ন জাতি জনজাতিৰ মাজতো বহুবোৰ সাধুকথা সিঁচৰিত হৈ আছে। এনে কুৰিটা সাধুৰ সংগ্ৰহেৰে অসমীয়া প্ৰথমখন সাধু কিতাপ প্ৰকাশ হয় ১৯৯২ চনত। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই বিভিন্ন জনৰ সহযোগত প্ৰচলিত সাধুকথা সংগ্ৰহ কৰি 'বুঢ়ী আইৰ সাধু' নামেৰে

কিতাপখন প্ৰকাশ কৰে। "ভাষা আৰু সাধু-কথা জাতিৰ ঘৰ-সম্পত্তি। কোনো এটা জাতিৰ ভিতৰৰ শিক্ষিত অশিক্ষিত, সভ্য-অসভ্য, জ্ঞানী-অজ্ঞানী সকলো মানুহৰে ওপৰত চাপ যেনেকৈ সেই জাতিৰ ভাষাত মচ লোযোৰাকৈ থাকি যায়। পুৰণিকলীয়া সাধুকথা বিলাকতো সেইদৰে সেই জাতিৰ ভিতৰৰ সকলো শ্ৰেণীৰ মানুহৰ পুৰণি আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, চিন্তা-কল্পনাৰ, অসদিৰ আঁচ মচ লোযোৰাকৈ থাকি যায়।" ইয়াত বেজবৰুৱাদেৱে সাধুকথা সম্বন্ধে এনেদৰে লিখিছিল। "বুঢ়ী আইৰ সাধু" সম্পৰ্কে কেইবাজনো বিশিষ্ট লোকৰ মন্তব্য প্ৰণিধানযোগ্য।

বিশিষ্ট কথা সাহিত্যিক হোমেন বৰগোহাঞিদেৱৰ কথাৰে 'বুঢ়ী আইৰ সাধু" সকলো সময়তে উপযোগী সুখপাঠ্য। মোৰ মতে ই শ্ৰেষ্ঠ শিশু সাহিত্য।

শিশু সাহিত্য হিচাপে সাধুকথা অনন্য। সকলো শিশুকেই ই আকৰ্ষণ কৰে। শিশুসকলৰ মাজত হয়তো এনে এজনো শিশু নোলাব যি সাধু শুনি ভাল নাপায়। মাতৃৰ নিচুকনী গীতে যেনেদৰে কোলাৰ কেঁচুৱাৰ চকুলৈ তৃপ্তিৰ নামাই আনে ঠিক তেনেদৰেই এটি শিশু সাধু শুনি শুনি গভীৰ নিদ্ৰাত মগন হয়। দেখা যায় যে সাধু শুনাব পৰা ব্যক্তিৰ প্ৰতি শিশুসকলৰ আকৰ্ষণ সদায়েই সুকীয়া।

বিষয়-বস্তুৰ ফালৰ পৰা সাধুবোৰ বিভিন্ন, যেনে- নীতিবচনমূলক, অলৌকিক ঘটনা প্ৰধান,

জীৱ-জন্তুৰ কাহিনী প্ৰধান। এই ভিন্ন বিষয়বস্তুৰ সাধুবোৰে শিশুক অপাৰ আনন্দ প্ৰদান কৰাৰ লগতে তেওঁলোকৰ কুমলীয়া মনত গভীৰ আঁচ বহুৱাই দিয়ে যায়। ই শিশুৰ কল্পনা শক্তি বৃদ্ধি কৰে। তেওঁলোক কল্পনা প্ৰৱণ হৈ কথ নেৰাৰাকৈয়ে এনে কাল্পনিক জগতত বিচৰণ কৰিবলৈ লয়। কেতিয়াবা পখি লগাই পৰীৰ দৰে আকাশত উৰি ফুৰে, আকৌ কেতিয়াবা ৰাজকুমাৰৰ দৰে ৰথত বিচৰণ কৰে। কেৱল সেয়াই নহয় ভিন্ন বিষয়বস্তুৰ সাধুকথাবোৰে শিশুৰ মনৰ সুকোমল অনুভূতি জগাই তোলে আৰু প্ৰকৃতি, জীৱজন্তু আৰু মানুহৰ লগত নিবিড় সম্পৰ্ক গঢ়ি উঠাত সহায় কৰে। শৈশৱতে গঢ়লৈ উঠা এই বোৰ-অনুভূতি, কল্পনা-প্ৰৱণতা আৰু গঢ়লৈ উঠা আত্মিক সম্পৰ্কৰ প্ৰভাৱ গোটেই জীৱন জুৰি থাকি যায়। ক্ৰমে এই বোৰ-অনুভূতিবোৰে ব্যক্তি বিশেষৰ পৰা সমাজ জীৱনলৈ প্ৰসাৰিত হয়। তদুপৰি নীতিবচনমূলক সাধুকথা সমূহে শিশুৰ নৈতিক চৰিত্ৰ গঠনত সহায় কৰে যাৰ সহায়ত তেওঁলোকে ভৱিষ্যত জীৱনত এজন নীতিবান আদৰ্শবান ব্যক্তি হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিব পাৰে। গতিকে সাধুকথাৰ সাহিত্যিক গুৰুত্বৰ উপৰিও এক সামাজিক গুৰুত্বও আছে।

আজি কিছুবছৰৰ আগলৈকে শিশুসকলো একেটা পৰিয়ালত বৃদ্ধ সকলৰ সংগ লাভ কৰিছিল ককা-আইতাই জোনাকত বহি বা বিচনাত পৰি সাধু

কোনোৰেই এটা নিয়মৰ দৰেই আছিল। এনেদৰে ককা-আইতা আৰু নাতি-নাতিনীৰ মাজত এক সুন্দৰ সম্পৰ্ক গঢ় লৈ উঠিছিল। পৰস্পৰে পৰস্পৰৰ সংগী হৈ পৰিপূৰক হিচাপে কাম কৰে। কিন্তু বৰ্তমান যুগত শিশুসকল এনে পৰিবেশৰ পৰা সম্পূৰ্ণ বঞ্চিত। আনহাতে বিভিন্ন দৃশ্য শ্ৰব্য মাধ্যমৰ যোগেদি প্ৰদৰ্শিত সাধুসমূহৰ নাট্যৰূপে শিশুসকলৰ কল্পনাৰ জগতত সংকুচিত হৈ পৰিছে।

সেয়ে আমি আশা কৰোঁ শিশুৰ মাজত সাধুকথাৰ জনপ্ৰিয়তা বৃদ্ধি পাওক। ইয়াৰ পঠন আৰু শ্ৰৱণৰ যোগেদি তেওঁলোকৰ সংকুচিত হৈ থকা কল্পনাই পাখি মেলক। শিশুসকলৰ লগতে সমাজেও তাৰ সুফল লাভ কৰক।

শ্ৰী পূজা গগৈ

তৃতীয় ষাণ্মাষিক

(মূল উৎস :- বিভিন্ন গ্ৰন্থ)

# প্ৰতিযোগিতাৰ ধামখুমীয়াত শিক্ষাৰ্থীসকল

শিক্ষা হৈছে, মানুহৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ। শিক্ষাই মানুহক প্ৰকৃত মানৱ ৰূপে গঢ় দিয়াত সহায় কৰে। কিন্তু বৰ্তমান যুগৰ শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীক যেন প্ৰতিযোগিতাৰ ঘনুৱা ঘোঁৰা কৰি তোলাতহে সহায় কৰিছে। তেওঁলোক যেন একো একোজন যান্ত্ৰিক মানৱ হৈ পৰিছে। প্ৰতিযোগিতাৰ তীব্ৰতা আৰু ধামখুমীয়াত অধিকাংশ শিক্ষাৰ্থীৰ মনোজগতৰ ওপৰত নেতিবাচক ভাৱে আহি পৰিছেহি অস্থিৰতাৰ প্ৰভাৱ, হীনমন্যতাৰ প্ৰভাৱ। যিবোৰ বয়সত তেওঁলোক বৰষুণত তিতি ধুনীয়া খেলিব লাগিছিল, নীলা আকাশত পূৰ্ণ চন্দ্ৰৰ উজ্জ্বলতা উপভোগ কৰিব লাগিছিল, সাধু কথাৰ সোৱাদ লব লাগিছিল সেই সময়ত তেওঁলোকে সময় কটাই এক নিৰ্দিষ্ট ৰুটিনৰ মাজেদি। স্কুল, টিউচনৰ উপৰিও তেওঁলোক ব্যস্ত থাকিব লগা হয় অভিভাৱকে জাপি দিয়া বেডমিন্টন, টেনিচ, সাঁতোৰ আদিৰ ওপৰিও নাচ-গান বা চিত্ৰ কলা আদি শিকনত বা অনুশীলনত।

বৰ্তমান শিক্ষা ব্যৱস্থাইও শিশু হঁতক শিক্ষা বা শিকন উপভোগৰ পৰা বঞ্চিত কৰিছে। এই ব্যৱস্থাই তেওঁলোকক সমীকৰণ আদি গো-গ্ৰাসে মুখস্থ কৰিবলৈ শিকাইছে যাতে পৰীক্ষা নামৰ তিনিঘণ্টীয়া যান্ত্ৰোনটোত সফলতাৰ মুখ দেখিব পাৰে। ইয়াৰ ফলত তেওঁলোকৰ জ্ঞানৰ পৰিসৰ কেৱল পাঠ্যক্ৰমৰ নিৰ্দিষ্ট অধ্যায়সমূহতেই সীমাবদ্ধ থাকে। ইয়াৰ উপৰিও অভিভাৱক সকলে তেওঁলোকক কৈশোৰ বয়সৰ পৰা বাণিজ্য বা কলা শাখাতকৈ বিজ্ঞান, চিকিৎসা,

অভিভাৱকিক আদি বিষয়তহে অধ্যয়ন কৰিবলৈ আকৰ্ষিত কৰিব বিচাৰে। লাগিলে সন্তানৰ আগ্ৰহ থাকক্বেই বা নাথাকক। ইয়াৰ পৰিণাম স্বৰূপে শিক্ষা তেওঁলোকৰ বাবে এক আনন্দময় অভিজ্ঞতাৰ পৰিবৰ্তে হৈ পৰে প্ৰতিযোগি-তাৰ যুদ্ধক্ষেত্ৰ।

বৰ্তমান বাঢ়ি অহা প্ৰতিযোগিতাই ছাত্ৰ-ছাত্ৰী-সকলক অত্যাধিক স্বাৰ্থপৰ কৰি তুলিছে। চাকৰিমুখী মানসিকতা নিবনুৱা সমস্যা আদি বোৰৰ প্ৰভাৱে জন্ম দিয়া শিক্ষাৰ্থীৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শনৰ প্ৰতিযোগিতা মনে তেওঁলোকক মানসিক ভাৱে পংগু কৰি তুলিছে। বৰ্তমান সফলতাৰ সংজ্ঞা হৈছে উৎকৃষ্ট ডিগ্ৰী, উৎকৃষ্ট চাকৰি আৰু এক বিলাসী জীৱন নিৰ্বাহ কিন্তু পাহৰি যোৱা হয় যে, সফলতা গোটেই লোৱা অলংকাৰ নহয় বৰঞ্চ ই এক অপাৰ্থিৱ অনুভূতি যাক নিজৰ শ্ৰেষ্ঠ খিনিক লৈ সুখী মেৰ্যাৰ জৰিয়তে অহা চামটোৱে ব্যস্ত থাকে শ্ৰেষ্ঠত্বৰ প্ৰাপ্তিৰ যুদ্ধখনত জয়ী হবলৈ। ইয়াৰ ফলত বহুতো অপৰাধি প্ৰৱণতা গঢ়ি উঠা দেখা যায় ছাত্ৰ সমাজত। এই প্ৰৱণতা কেৱল নগৰতেই নহয় বৰ্তমান গাওঁ অঞ্চলতো বাঢ়ি অহা দেখা যায়। এই ক্ষেত্ৰত অভিভাৱক সকলৰ কৰণীয় বহুতো আছে। তেওঁলোকে কেৱল ডাক্তৰ, ইঞ্জিনিয়াৰ আদি বৃত্তিতে সন্তানক সীমাবদ্ধ নাৰাখি আত্মসংস্থাপনৰ অন্য বৃত্তি সমূহ যেনে- কলাকাৰ, সংগীত, অভিনয়, ক্ৰীড়া আদিতো যে নিজকে সুন্দৰকৈ সংস্থাপিত কৰিব পাৰে সেই কথা তেওঁলোকক জনাব লাগিব। তেওঁলোকে নিজৰ সন্তানক

এটা সফলতাৰ যন্ত্ৰ হিচাপে গঢ় দিয়াতকৈ প্ৰকৃত মানৱ হিচাপে গঢ় দিয়াতহে গুৰুত্ব দিব লাগে। এই কথা মনত ৰখা উচিত যে শিক্ষাৰ্থীসকলৰ নিজৰ নিজৰ পছন্দৰ বা আগ্ৰহৰ বিষয়ত শিক্ষা গ্ৰহণৰ স্বাধীনতাইহে উন্নতিৰ সোপান ৰচাত সহায় কৰিব ।

শ্ৰীমতী ঝৰণা দিহিঙীয়া
স্নাতক পঞ্চম ষাণ্মাসিক

# শিশুৰ বিকাশত ঘৰখন আৰু পিতৃ-মাতৃ

ঘৰখন হৈছে শিশুৰ প্ৰধান বিচৰণ ক্ষেত্ৰ য'ত পিতৃ-মাতৃ আৰু ভাতৃ-ভগ্নীৰ ব্যৱহাৰিক দিশৰ জৰিয়তে শিশুৱে বিভিন্ন জ্ঞান আহৰণ কৰে। যিহেতু প্ৰত্যেক শিশুৱে অনুকৰণৰ জৰিয়তে প্ৰথম জ্ঞান আহৰণ কৰে, সেয়েহে ঘৰখনৰ প্ৰত্যেকজন সদস্যৰ মাৰ্জিত আচাৰ ব্যৱহাৰে শিশুৰ সুস্থ মানসিক তথা বৌদ্ধিক বিকাশত অৰিহণা যোগায়। শিশুৰ মানসিক চৰিত্ৰৰ সুস্থ বিকাশৰ বাবে ঘৰখনৰ পৰিৱেশ যাতে সুস্থ হয়, তাৰবাবে প্ৰত্যেক পিতৃ-মাতৃ সজাগ হোৱা উচিত। সকলো শিশুৰ আচৰণ একে নহয়। কাৰোবাৰ যদি স্মৃতি শক্তি কম, কাৰোবাৰ প্ৰখৰ, কোনোবাটো যদি খিং খিঙীয়া স্বভাৱৰ, কোনোবাটো শান্ত প্ৰকৃতিৰ; কোনোবাই সহজে আনক অনুকৰণ কৰিব পাৰে কোনোবাই নোৱাৰে ইত্যাদি। সময়ৰ লগে লগে প্ৰত্যেক শিশুৰ নিজৰ যোগ্যতা অনুসৰি বিকাশ হয়। সেয়েহে পিতৃ-মাতৃয়ে নিজৰ সন্তানক ভালদৰে নিৰীক্ষণ কৰি সিহঁতৰ সুস্থ বিকাশত অৰিহণা যোগাব লাগে। সামূহিক ভাৱে প্ৰত্যেক পিতৃ-মাতৃয়ে নিজৰ সন্তানৰ ক্ষেত্ৰত ল'বলগীয়া যত্ন সমূহৰ কেইটামান দিশ হৈছে ——

ক) পিতৃ-মাতৃয়ে সন্তানৰ লগত যিমান পাৰে সিমান সময় কটাবলৈ চেষ্টা কৰিব লাগে। যাতে পিতৃ-মাতৃ আৰু সন্তানৰ মাজত

এটা বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ় লৈ উঠে বন্ধুত্বপূৰ্ণ সম্পৰ্কত সন্তানে মনৰ কথা খুলি কব সুবিধা পায়, যাৰ ফলত পিতৃ-মাতৃয়ে প্ৰতিটো কথাৰ গুৰুত্ব বুজি বেয়াখিনি ত্যাগ কৰি ভালখিনিৰ আৰ্জনেৰে শিশুটিক আগবাঢ়ি যোৱাত সহায় কৰিব পাৰে।

খ) প্ৰত্যেক শিশুৱে শিশুসুলভ চঞ্চলতাৰে কিছুমান দুষ্টামি কৰিব খোজে। তেনেক্ষেত্ৰত খং বা ডাবি ধমকি নিদি কোনো অনুচিত কথাত মৰমেৰে (ধৰি লওক 'এনে কাম কৰিলে তুমি দুখ পাবা', 'তোমাৰ শিক্ষকে বেয়া পাব' আদি) তেনে কাম নকৰিবলৈ বুজাব লাগে। খং বা ডাবি ধমকি দিলে শিশুৰ জেদ ভাৱ বাঢ়ি যায়।

গ) পিতৃ-মাতৃয়ে কেতিয়াও সন্তানক আনৰ লগত তুলনা কৰি হেয়জ্ঞান কৰিব নালাগে,

ঘ) শিশুৰ কামৰ সময়সূচী থকা দৰকাৰ যদিও দিনটোৰ অলপ সময় শিশুটিয়ে ভাল পোৱা ধৰণে কটাব দিব লাগে। এনে কৰিলে শিশুৰ বাকী কামবোৰ সময়সূচী মতে কৰাৰ আগ্ৰহ থাকে।

ঙ) এটা বয়সত শিশুৱে স্বাধীন মনোভাৱ পোষণ কৰে আৰু তেতিয়া নিজৰ আধিপত্য দেখুৱাবলৈ যায়, তেনেক্ষেত্ৰত শিশুটিক জেদী বুলি খং বা ডাবি ধমকি নিদি মৰমেৰে শুদ্ধ


সমৰ সন্মান দিব লাগে ।

পিতৃ মাতৃৰ সদ্ব্যৱহাৰ, সংচিন্তাই শিশুৰ নৈতিক চৰিত্ৰ গঠনত সহায় কৰে। পিতৃ-মাতৃৰ অপ্ৰীতিকৰ আচৰণে শিশুৰ চাৰিত্ৰিক দিশত নেতিবাচক প্ৰভাৱ পেলায়। বৰ্তমানৰ শিশু ভৱিষ্যতৰ সুনাগৰিক হোৱাৰ ক্ষেত্ৰত পিতৃ-মাতৃৰ গঠনমূলক মনোভাৱ, সুদূৰ প্ৰসাৰী মনোভাৱ, সুদৃঢ় দৃষ্টিভংগী আৰু সহযোগিতা অত্যন্ত আৱশ্যক ।

মিচ্ চামিমা বেগম
পঞ্চম ষাণ্মাসিক

# টাইটানিক

১৯১২ চনৰ এপ্ৰিল মাহৰ ১৪ তাৰিখ। বিশ্ব ইতিহাসৰ এটা কলা দিন। যি কেইটা দিনে বিশ্ববাসীৰ বাবে কঢ়িয়াই আনিছে সেই কেইটা দিনৰ ভিতৰত এই দিনটোও এটা। কিয়নো সেইদিনাই পৃথিৱীৰ সৰ্ববৃহৎ জাহাজ 'টাইটানিকে' আটলাণ্টিক মহাসাগৰৰ বিশাল বুকুৰ মাজত করুণভাৱে মৃত্যুক সাৱটি লৈছিল। টাইটানিকৰ করুণ মৃত্যুৱে আজিও পৃথিৱীৰ হাজাৰ হাজাৰ কৌতুহলী মানুহৰ মনত চাঞ্চল্যৰ সৃষ্টি কৰি আছে।



'টাইটানিক'ৰ অৰ্থ হ'ল 'বিশাল'। ইয়াৰ ওজন আছিল ৪৬,৩০০ টন। যিটো আজি কালি সাগৰ-মহাসাগৰত চলা বহুতো ডাঙৰ জাহাজতকৈ চাৰি পাঁচ গুণ বেছি। টাইটানিকৰ ইমূৰৰ পৰা সিমূৰলৈ মুঠ দৈৰ্ঘ্য আছিল ৮৮২ ফুট। জাহাজখন চলাবলৈ প্ৰয়োজন হোৱা মুঠ শক্তিৰ পৰিমাণ আছিল ৫৫,০০০ অশ্ব শক্তি। টাইটানিকৰ গতিও আছিল অবিশ্বাস্য। জাহাজৰ তলত ১৬ টা কোঠালি আছিল আৰু দুৱাৰ বন্ধ থকা অৱস্থাত এইবোৰত পানী সোমাব নোৱাৰিছিল। ৩৮ বছৰীয়া জাহাজ পৰিচালনা

কৰা অভিজ্ঞতা সম্পন্ন এডৱাৰ্ড জে স্মিথক টাইটানিকৰ কেপ্তেইন নিযুক্তি কৰা হৈছিল ।

ইংলেণ্ডৰ চাউথাম্পটন বন্দৰৰ পৰা ১৯১২ চনৰ ১০ এপ্ৰিল তাৰিখে টাইটানিকৰ প্ৰথম যাত্ৰা আৰম্ভ হৈছিল। কৰ্মচাৰীসকলৰ সৈতে টাইটানিকৰ মুঠ যাত্ৰীৰ সংখ্যা আছিল ২২০৭ জন । প্ৰাপ্ত তথ্য অনুসৰি তাহাঁতৰ ভিতৰত ২৯১ জন প্ৰথম শ্ৰেণীত, ২৭১ জন দ্বিতীয় শ্ৰেণীত আৰু ৬৮৩ জন তৃতীয় শ্ৰেণীৰ যাত্ৰী আছিল আৰু বিপদৰ সময়ত ব্যৱহাৰ কৰিবলৈ টাইটানিকত ১৬ খন লাইফ বটৰ ব্যৱস্থা আছিল । তাত কমেও ৮০০ জন মানুহ যাব পাৰিছিল।

টাইটানিকৰ প্ৰথম যাত্ৰাৰ চাৰিদিন সুকলমে পাৰ হৈ গৈছিল । কিন্তু ১৪ এপ্ৰিলৰ দিনা খন টাইটানিকৰ গতি পথত প্ৰচণ্ড আইচবাৰ্গ আছে বুলি সতৰ্কবাণী কৰিছিল কিন্তু বছৰৰ সেই সময়ত সাগৰত আইচবাৰ্গ থকাটো কেপ্তেইন স্মিথে বিশ্বাস নকৰিলে । ৰাতি দহ মান বজাৰ লগে লগে এক প্ৰচণ্ড জোকাৰণিত তাহাঁতৰ যাত্ৰী সকল কঁপি উঠিল । সন্দেহ নাছিল যে সেই সময়ত জাহাজ খন এটা প্ৰকাণ্ড বৰফৰ পাহাৰৰ ফালে আগবাঢ়ি গৈছিল । পানীৰ ওপৰত আইচবাৰ্গটোৰ উচ্চতা আছিল ১০ ফুট । আইচবাৰ্গৰ লগত টাইটানিকৰ প্ৰবল সংঘৰ্ষ

ফলত জাহাজৰ তলিত প্ৰায় ৩০০ ফুট দীঘল অংশ ভাগি গল আৰু হুৰ হুৰকৈ পানী সোমাবলৈ ধৰিলে । কিন্তু টাইটানিকত সংঘটিত হোৱা এই দুৰ্যোগৰ খবৰ বহুতো যাত্ৰীয়ে গমেই পোৱা নাছিল ।

ৰাতি ১২ বাজি পাঁচ মিনিট হোৱাৰ লগে লগে কেপ্তেইন স্মিথে নাৱেৰে মানুহবোৰক নমাবলৈ আদেশ দিলে । সেই সময়ত আটলাণ্টিক মহাসাগৰত কিছু জাহাজ চলিছিল যদিও সেইবোৰ ৮/ শ মাইল দূৰত আছিল । টাইটানিকৰ পৰা ৫৮ মাইল দূৰত কাৰ্পেথিয়া নামৰ জাহাজখনে টাইটানিকৰ অভিমুখে তীব্ৰবেগেৰে যাত্ৰা কৰিছিল যদিও জাহাজ খন গৈ পোৱাৰ সম্ভৱ নাছিল । জাহাজত মাত্ৰ ১৬ খন লাইফ বোটেৰে ৭০০ জন যাত্ৰীক বচাব পৰা গল যদিও বাকী মানুহৰ জীয়াই থকাৰ সম্ভাৱনা হৈ নগল । আইচবাৰ্গ খুন্দা খোৱাৰ ঠিক চাৰি ঘণ্টাৰ পাছতেই বিশ্বৰ সৰ্ববৃহৎ জাহাজ টাইটানিকে ১৫০০ মানুহ লগত লৈ আটলাণ্টিকৰ বিশাল গভীৰতাত হেৰাই গৈছিল । বিশ্ব ইতিহাসত ইমান কৰুণভাৱে দুৰ্ঘটনা দ্বিতীয়টো নহওঁক বুলি কামনা কৰিলো ।

মানৱে উত্তৰণৰ যাত্ৰাত সিমানেই বিজয়ৰ বৰমালা নিপিন্ধক কিয় কেতিয়াবা কেতিয়াবা কিন্তু নিঃসহায়ভাৱে প্ৰকৃতিৰ ওচৰত আত্মসমৰ্পণ কৰিবলগীয়া হয় ।

শ্ৰীমতী নীচি গগৈ

স্নাতক তৃতীয় ষাণ্মাসিক

(মূল উৎসঃ- বাতৰি - কাকত)



## সাঁথৰ

১) কি বস্তু কাটিলে দীঘল হয়।
উঃ- নলা।

২) কাণত ধৰি নাকত বহে।
উঃ- চশমা।

৩) নদী আছে পানী নাই
চহৰ আছে মানুহ নাই।
উঃ- মানচিত্ৰ।

পৰীক্ষা কৰি নানা জটিল সমস্যাও সমাধান কৰা হয়।

প্ৰাচীন কালত ফিংগাৰ প্ৰিণ্টৰ ব্যৱহাৰঃ- চীনাতেই প্ৰথম মানুহৰ চিনাক্তি উলিয়াবলৈ আঙুলিৰ ছাপ ব্যৱহাৰ কৰা হৈছিল বুলি জনা যায়। চীনৰ কেইবাজনো সম্ৰাটে হাতৰ বুঢ়া আঙুলিৰ ছাপ ব্যৱহাৰ কৰা হৈছিল বুলি জনা যায়। চীনৰ কেইবাজনো সম্ৰাটে হাতৰ বুঢ়া আঙুলিৰ চীল মোহৰ মাৰি তেওঁলোকৰ ৰাজকীয় কাম কাজ চলাইছিল। খ্ৰীষ্টপূৰ্ব ২৪৬ ৰ পৰা খ্ৰীষ্টপূৰ্ব ১৫৬ লৈকে চীনৰ এই প্ৰথাৰ প্ৰচলন আছিল বুলি জনা যায়।

প্ৰাচীন ভাৰতত আকৌ কেৱল আঙুলিৰ ছাপেই নহয়, সম্পূৰ্ণ হাতখনৰে ছাপ ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ নাম আছিল পাঞ্জা। সেই সময়ৰ চৰকাৰী নথি-পত্ৰ বা আদেশ নামাত ৰজাৰ হাতৰ ছাপ ব্যৱহাৰ কৰা হৈছিল। তদুপৰি বহুকাল আগৰে পৰাই ভাৰতৰ অনাক্ষৰী লোকসকলে 'টিপচহী' ব্যৱহাৰ কৰি আহিছে। প্ৰাচীন বিশ্বৰ প্ৰায় সকলো ঠাইতে এনেদৰে হাত আৰু আঙুলিৰ ছাপৰ ব্যৱহাৰ হৈছিল যদিও ঠাইভেদে ইয়াৰ গুৰুত্বও আছিল সুকীয়া।

## আঙুলিৰ ছাপৰ দ্বাৰা অপৰাধীক চিনাক্তকৰণৰ ধাৰণা সূত্ৰপাত :-

মানুহৰ হাতৰ আঙুলিৰ ছাপৰ সহায়ে যে মানুহজনক চিনাক্ত কৰণৰ ধাৰণাৰ সূত্ৰপাত সেই ধাৰণাতো প্ৰথমে উলিয়াইছিল ফ্ৰান্সৰ নৃতত্ত্ববিদ এলফোনচ্ বাৰ্টিলনে। ১৮৮০ চনত তেওঁৱেই প্ৰথমে উল্লেখ কৰে যে প্ৰতিজন মানুহৰেই আঙুলিৰ ছাপ বেলেগ বেলেগ। আন কোনো মানুহৰেই আঙুলিৰ ছাপৰ লগত ইয়াৰ মিল নাই। এজন মানুহ দিনেই বাচি নাথাকক কিয়, তেওঁৰ আঙুলিৰ ৰেখাবোৰৰ কোনো সাল সলনি নহয়। সেয়েহে কোনো অপৰাধীয়ে ঘটনাস্থলীত এৰি থৈ যোৱা ফিংগাৰ প্ৰিণ্টৰ পৰা তেওঁক চিনাক্ত কৰিব পাৰি।

## ফিংগাৰ প্ৰিণ্টৰ বৈশিষ্ট্যৰ আৱিষ্কাৰ কাহিনী আৰু ইয়াৰ প্ৰথম সফলতা :-

ফিংগাৰ প্ৰিণ্টৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি অপৰাধী চিনাক্ত কৰণৰ ধাৰণাৰ প্ৰৱৰ্তক এলফোনচ্ বাৰ্টিলনে প্ৰথমে 'পুলিচ বিভাগত চাকৰি কৰিছিল। চাকৰিটোত তেওঁৰ মূলকাম আছিল অপৰাধীৰ বিভিন্ন শাৰীৰিক বৰ্ণনাবোৰ কাৰ্ডত লিখা। এনেবোৰ কামক কৰি বাৰ্টিলন যথেষ্ট বিৰক্ত হৈ পৰিছিল।

Scanned with OKEN Scanner

তেওঁ ভাবিলে মানুহৰ বৰ্ণনাবোৰ লিখি থকাতকৈ ফিংগাৰ প্ৰিণ্টছ ৰাখিলে কেনে হয়। বাৰ্টিলনে জানিছিল যে প্ৰতিজন মানুহৰে ফিংগাৰ প্ৰিণ্টছ বেলেগ বেলেগ। এইবাবেই তেওঁ বিভিন্ন মানুহৰ ফিংগাৰ প্ৰিণ্টছ বিষয়ে গৱেষণা কৰিবলৈ ধৰিলে। বিভিন্নজনৰ ফিংগাৰ প্ৰিণ্টছৰ তেওঁৰ কোঠা ভৰি পৰিল।

এদিনাখন হঠাৎ বাৰ্টিলনে তেওঁৰ এটা চিনাকি যেন লগা ফিংগাৰ প্ৰিণ্টছ পালে, কিন্তু মানুহজনৰ নাম বেলেগ। তেওঁ লগে লগে ফিংগাৰ প্ৰিণ্টছ ৰখা বৰ্তমান বিচাৰি উলিয়ালে। অপৰাধীৰ নাম আছিল মাৰ্টিন। কিন্তু সেই ফিংগাৰ প্ৰিণ্টছ বেলেগ মানুহৰ -তো কেতিয়াও হ'ব নোৱাৰে। তেওঁ মাৰ্টিনক জেৰাৰ কোবত মাৰ্টিনে যে কাঢ়িবলৈ বাধ্য হ'ল যে তেওঁৰ আচল নাম দোপেৰ্ছে। আগতে এবাৰ চুৰি কৰি ধৰা পৰি তেওঁৰ নামটো সলাইছিল। সেয়াই আছিল বাৰ্টিলনৰ ফিংগাৰ প্ৰিণ্টছৰ প্ৰথম সফলতা।

উল্লেখযোগ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পুলিচ বিভাগত থকা ফিংগাৰ প্ৰিণ্টছৰ সংগ্ৰহটো আটাইতকৈ ডাঙৰ। সেই বিভাগে ১৫ কোটিতকৈ অধিক ফিংগাৰ প্ৰিণ্টছৰ

কাৰ্ড পোটাই আছে।

ভাৰতত ফিংগাৰ প্ৰিণ্টৰ ব্যৱহাৰৰ পাতনি :-

১৮৫৭ চনত প্ৰথমবাৰৰ বাবে ভাৰতত অপৰাধী চিনাক্তকৰণত ফিংগাৰ প্ৰিণ্ট ব্যৱহাৰ হয়। ভাৰতত পশ্চিমবংগৰ জলপাইগুৰি জিলাৰ আৰক্ষী প্ৰধান চ্যাৰ এডৱাৰ্ড হেনাৰি অপৰাধী চিনাক্ত কৰিবলৈ প্ৰথমে ফিংগাৰ প্ৰিণ্ট কামত লগায়।

উপসংহাৰ :-

ফিংগাৰ প্ৰিণ্টে যেনেকৈ অপৰাধী চিনাক্ত কৰণ কৰি দুৰ্নীতি বটবৃক্ষৰ নিৰ্মূল কৰাত অৱদান আগবঢ়াইছে। তেনেকৈ এফালে কিছুমান দুষ্টচক্ৰই ফিংগাৰ প্ৰিণ্টৰ উল্লেখযোগ্য বৈশিষ্ট্যৰ সুযোগ লৈ নানা অপকৰ্ম কৰাত লিপ্ত হৈছে। সেয়েহে সদৌ শেষত ইয়াকেই আশা কৰিছো যে ফিংগাৰ প্ৰিণ্ট যেন অপৰাধ কৰ্মত ব্যৱহাৰ নহৈ বৰঞ্চ অপৰাধ ৰোধত ব্যৱহৃত এক অভূতপূৰ্ব মাধ্যম হিচাপে পৰিগণিত হয়।

শ্ৰীমতী মুনমী শইকীয়া
স্নাতক প্ৰথম ষাণ্মাসিক

(মূল উৎস :- প্ৰবন্ধ গ্ৰন্থ)

# অসমীয়া সংস্কৃতি আৰু ৰূপকোঁৱৰ

অসমীয়া সাহিত্য-সংস্কৃতিৰ জগতত গণশিল্পী, ৰূপকোঁৱৰ নামেৰে খ্যাত জ্যোতিপ্ৰসাদ আগৰৱালা আছিল একেধাৰে সফল সুৰকাৰ, নাট্যকাৰ, গীতিকাৰ, স্থপতিবিদ, নৃত্যবিদ, কথাছবিৰ বিভিন্ন দিশৰ প্ৰতিভাৰ কুশলী অসমীয়া সংস্কৃতিৰ প্ৰাণ আৰু বিপ্লৱী বীৰৰ জীৱন্ত প্ৰতিমূৰ্তি— যি আছিল স্ৰষ্টা, দ্ৰষ্টা আৰু যিজন লোক আছিল আমাৰ জাতীয় জীৱনৰ প্ৰতিটো অংগলৈ নৱ প্ৰাণৰ জোৱাৰ আনি দিব পৰা প্ৰেৰণাৰ উৎস ।

পিতৃ পৰমানন্দ আগৰৱালা আৰু মাতৃ কিৰণময়ী দেৱীৰ সুযোগ্য সন্তান জ্যোতিয়ে জন্ম গ্ৰহণ কৰিছিল ডিব্ৰুগড় জিলাৰ তামোলবাৰী চাহ বাগিছাত । তেজপুৰতে স্কুলীয়া শিক্ষা আৰম্ভ কৰা জ্যোতিয়ে ১৯২১ চনত প্ৰৱেশিকাৰ বাছনি পৰীক্ষা দিয়াৰ পাছত কলিকতাৰ এতিন বৰা বিশ্ববিদ্যাল-য়ৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয় । কিছুদিন গুৱাহাটীৰ নিউ প্ৰেছত কাম কৰাৰ পাছত ১৯২৬ চনত উচ্চ শিক্ষাৰ বাবে বিলাতলৈ যায় । কিন্তু পাছত মন নবহাত বিলাতৰ পৰা জাৰ্মানীলৈ গৈ হিমাংশু ৰায়ৰ লগত চলচ্চিত্ৰ নিৰ্মাণৰ কাম হাতত লয় ।

জ্যোতিপ্ৰসাদৰ অসমীয়া সংস্কৃতিলৈ অৱদান অশেষ। তেওঁৰ বিস্ময় অসমীয়া কৃষ্টিক তেওঁ ভাৰতত সুন্নামৰ্দলিত প্ৰতিষ্ঠা কৰে। অযত্ন অৱহেলিত হৈ থকা গীত মাতবোৰ আদৰি লৈ নিজস্ব সৃষ্টিশীল প্ৰতিভাৰে তাত ৰহণ সানি সেই গীত মাতক এক সৰ্বভাৰতীয় মৰ্যদা দিবলৈ সক্ষম হয়। ভোলাগুৰি চাহ-বাগিচাত 'চিত্ৰবন' নামৰ ষ্টুডিঅ' নিৰ্মাণ কৰি প্ৰথম অসমীয়া কথাছবি নিৰ্মাণ কৰে ১৯৩৫ চনত। ১৯৩৫ চনত পুনৰ নিৰ্মাণ কৰে ইন্দ্ৰমালতী কথাছবি।

জ্যোতিপ্ৰসাদে সকলো ধৰণৰ সাহিত্যতেই হাত দিছিল। সাহিত্য, সংস্কৃতি, সাংবাদিকতা, ৰাজনীতি আদি বিভিন্ন বিষয়ৰ মজিয়াত সোণ-ৰূপৰ গছ গজাইছিল জ্যোতিয়ে। জ্যোতিপ্ৰসাদে ৰাজনীতি আৰু নাটঘৰৰ মাজত থকা প্ৰাচীৰ খহালে। অসমীয়া ৰোমান্টিক কবিতাত বিপ্লৱৰ ভাবাবেগ তেওঁৰেই প্ৰথমে জগাই তোলে। জ্যোতিপ্ৰসাদে ৰমন্যাসবাদৰ লগত বিপ্লৱৰ সামঞ্জস্য বিচাৰি পায় আৰু এই ভিত্তিত কবিতা ৰচনা কৰি অসমীয়া কবিতালৈ এক যুগান্তৰ আনে।

শিল্পী এজন কেনেকৈ বিপ্লৱী হব পাৰে সেই কথাও অসমত প্ৰথম তেওঁৰেই দেখুৱায়। নতুন যুগৰ সূচনা বিপ্লৱৰ যোগেদিহে সম্ভৱ। এই ক্ষেত্ৰত তেওঁৰ ৰচিত পংক্তিয়ে তাৰেই প্ৰমাণ দিয়ে।

'বিশ্ববিজয়ী নৱ জোৱান

'বিশ্ববিজয়ী নৱ জোৱান
শক্তিশালী ভাৰতৰ
ওলাই আহা ওলাই আহা
সন্তান তুমি বিপ্লৱৰ ।'

নাটকত অসমীয়া মঞ্চৰ গীত মাতবো তেওঁয়েই প্ৰথম প্ৰচলন কৰে । পুৰণিৰ ভেটিতেহে নতুনৰ সৃষ্টি হয় । এই কথা উপলব্ধি কৰি জ্যোতিয়ে পৌৰাণিক কাহিনীক নতুনকৈ সজাইছিল । আধুনিক নাট্যকলাৰ প্ৰয়োগৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদৰ 'কাৰেঙৰ লিগিৰী' প্ৰথম অসমীয়া নাটক । বিদেশলৈ গৈ জ্যোতিয়ে আধুনিক নাট্যকলাৰ ওপৰত অধ্যয়ন চলায় আৰু স্বদেশলৈ ঘূৰি আহি সেই নাট্যকলাক কেনেকৈ অসমীয়া নাটকত প্ৰয়োগ কৰিব পাৰি তাৰেই অনুশীলন কৰে 'কাৰেঙৰ লিগিৰীত । 'শোণিত কুঁৱৰী' নাটকত জন্ম দিছে প্ৰথম অসমীয়া গীত আৰু সংগীতৰ । প্ৰাচ্য আৰু পাশ্চাত্যৰ বাদ্য-যন্ত্ৰৰ সহায়ত অৰ্কেষ্ট্ৰাৰ সৃষ্টি কৰি অসমত প্ৰথমবাৰ Thematic mueśic ৰচনা কৰে ।

সমগ্ৰ ভাৰতীয় বোলছবি জগতে চালুকীয়া হৈ থাকোঁতেই 'জয়মতী' নিৰ্মাণ কৰাটো অঁটাৰিমুৱা জ্যোতিপ্ৰসাদৰ এক সাহসী পদক্ষেপ ।

জ্যোতিপ্ৰসাদৰ গীতত আমি শুনিবলৈ পাওঁ আইনাম, বনগীত, বিহুগীত আদিৰ সুৰ । হেৰাই যাব ধৰা বহু সুৰ তেওঁ তেওঁৰ গীতত ধৰি ৰাখিছে । জ্যোতিসংগীত ৰূপে খ্যাত তেওঁৰ গীতসমূহে পুৰণিক

লগুনৰে জীয়াই তোলাৰ উপৰিও ন পুৰণিৰ সংমিশ্ৰণত এক মোহময় পৰিৱেশৰ সৃষ্টি কৰিছে।

কলাৰ সাধনা কৰিবলৈ যে মানুহৰ আমসাৰা শিৰ থাকে তেওঁ পিঠি দিয়া নাই। সমস্যাৰ অৱতাৰণা আৰু সমাধানৰ উপায় তেওঁৰ নাটকত দেখিবলৈ পোৱা যায়। 'কাৰেঙৰ লিগিৰী'য়েই তাৰ প্ৰমাণ। শিল্পী সুলভ আন্তৰিকতাৰে জনতাক আকোৱালি লোৱাটো জ্যোতিপ্ৰসাদৰ স্বভাৱ আছিল। বিশ্বজনতাৰ যেটি সৰবাকে কোনো সংস্কৃতিয়েই উপৰলৈ উঠিব নোৱাৰে। সংস্কৃতিৰ স্বাভাৱিক ৰূপ জনতাৰ কোলাতহে অভিব্যক্ত হয়। জ্যোতিপ্ৰসাদৰ বহুমুখী গুণৰ উপলব্ধিতেই বকুল বনৰ কবি আনন্দচন্দ্ৰ বৰুৱাই প্ৰদান কৰিছিল 'ৰূপকোঁৱৰ' উপাধি।

জ্যোতিপ্ৰসাদ আছিল সৃষ্টিশীল মনৰ আদৰ্শ পুৰুষ। তেওঁৰ শিল্পীমনে অসমী আইৰ কোলাত শিল্পীৰ পৃথিৱী গঢ়িবলৈ বিচাৰিছিল। তেওঁ অসমক এক উজ্জ্বল জ্যোতিৰ স্বৰ্গ নিৰ্মাণৰ সপোন দেখিছিল। কিন্তু জীৱনকালে অহা এজাক দুৰ্যোগই সেই সপোন বাস্তবায়িত হ'বলৈ নিদিলে। ১৯৫১ চনৰ ১৭ জানুৱাৰীৰ দিনা কৰ্কটৰোগত আক্ৰান্ত জ্যোতিয়ে শেষ নিশ্বাস ত্যাগ কৰে। জ্যোতি আমাৰ মাজত নাই সঁচা কিন্তু অসমৰ হকে, অসমীয়া জাতিৰ হকে কৰি যোৱা কামৰ বাবে তেওঁ অসমবাসীৰ মাজত তথা বিশ্বত জ্যোতিষ্মান হৈ ৰ'ব। শেষত জ্যোতিৰ ভাষাৰে —

"হে স্মৃত্য নমস্কাৰ
চকুৰ পানীৰে তোৰ পূজাৰ শৰাই
ইমান জাতিদ্ৰোহ ।"

— হিমাশ্ৰী মেওগ
স্নাতক পঞ্চম ষাণ্মাসিক ।

**সাঁথৰ :**

১. বিয়াঘৰত বগোতলি ভবি পাৰিল,
শেষত গৈ বইনাজনী পানীত পৰি মৰিল ।
— পূজাৰ প্ৰতিমা ।

২. চাৰি ভৰিৰে বহে মই, আঠ ভৰিৰে খোজ কাঢ়ো
বাঘ নহয় ঘঁৰিয়ালো নহয়, গোটেই মানুহ গিলো ।
— দোলা ।


৩. ওই কাণে নালাগে, মই কাণে লাগে ।
— ওঁঠ ।

শ্ৰী সান্তনা গগৈ
স্নাতক পঞ্চম ষাণ্মাসিক

# কেমেৰা আৰু ফটোগ্ৰাফি

## আৱিষ্কাৰৰ বিষয়ে কিছু কথা

১৮২৬ চনত জঁচেফ নিচেফৰ নিয়েপ্চ (NIEPCE) নামৰ ফৰাচী লোক এজনে পৃথিৱীৰ প্ৰথম ফটোখন তোলে। ফটোখনৰ বিষয়বস্তু আছিল ঘৰৰ চালৰ ওপৰৰ এটা দৃশ্য। এছফাল্টৰ ওপৰত পোহৰৰ প্ৰতিক্ৰিয়া চাবলৈকে ফটো খন তোলা হৈছিল। পিছে এনে ধৰণে ফটো তোলাৰ বৰ অসুবিধাজনক আছিল। পাছলৈ নিয়েপ্চৰ, ডাগুৰেৰ নামৰ বন্ধু এজনে ছিলভাৰ আয়'ডাইডৰ দ্বাৰা ফটো চেনজিটিভ বা পোহৰ সচেতন বস্তু লৈ পৰীক্ষা চলালে।



অৱশেষত ফটোপ্ৰিণ্ট কৰাত ডাগুৰেৰ সফল হ'ল। ইতিমধ্যে একে সময়তে উইলিয়াম ফক্স টালবট নামৰ আন এজন লোকে ফটো ছপা কৰা কাগজখনৰ পোহৰ সচেতন পদাৰ্থ যেনে - ছিলভাৰ ক্ল'ৰাইড বা পাছলৈ ছিলভাৰ নাইট্ৰেটৰ মাজত ডুবাই লৈ সু-ফল পাইছিল।

কেমেৰাৰ সহায়ত যিকোনো বস্তু বা দৃশ্যৰেই ছবি ফটোগ্ৰাফিক ফিল্মৰ ওপৰত পেলাই লৈ ফটো তুলিব পাৰা যায়। কেমেৰাত এখন বা অধিক লেন্স ব্যৱহাৰ কৰা হয়। এই লেন্সবোৰ বিশেষ ধৰণে নিৰ্মিত। এখন লেন্স থকা কেমেৰাৰ লেন্সখন ফটো তোলোতেই চাবৰ বাবে আৰু পোহৰ ফ'কাচ কৰিবৰ বাবে অৰ্থাৎ দুয়োটা কামতেই ব্যৱহাৰ কৰা হয়।

আজিকালি আধুনিক কেমেৰাবোৰত বেটাৰীৰ লেন্স ব্যৱহাৰ কৰা হয়।

'পিন হ'ল' নামৰ কেমেৰাবিধেই হ'ল পৃথিৱীৰ প্ৰথম কেমেৰা। এইবিধ কেমেৰা সাজি উলিওৱাৰ পদ্ধতিটো হ'ল বৰ সহজ। ইয়াৰ বাবে লাগে ডাঙৰ ডাঠ কাৰ্ডবৰ্ডৰ টুকুৰা, কলা ৰং, ষ্টীলেৰে সজা কাগজৰ দৰে পাতল পাত এটা আৰু এটুকুৰা ফিল্ম। কেমেৰাৰ বাকচটো ডাঠ কাৰ্ডবৰ্ডৰ টুকুৰাৰে সাজি লওঁতে এখন কাৰ্ডৰ বাহিৰে বাকী বৰ্ডৰ ভিতৰৰ পিনে কলা ৰং সানি ল'ব লাগে। পাতল ষ্টীল বা লোহাৰ পাতখনত সাধাৰণ কাপোৰ চিলোৱা বেজী এটাৰে ফুটা এটা কৰি ল'ব লাগে; পাছত এই পাতখন বা নসনা কাৰ্ডবৰ্ডখনত লগাই দিব লাগে। এতিয়া এই পাতখনৰ বিপৰীতে থকা আনখন কাৰ্ডবৰ্ডত ফটো তোলা ফিল্ম খন লগাই লোৱা হয়।

ফটোগ্ৰাফিক প্লেট আৱিষ্কাৰ হোৱাৰ পিছত ইয়াৰ ওপৰত বহুতো পৰীক্ষা-নিৰীক্ষা চলিবলৈ ধৰিলে। ১৯৫১ চনত ফ্ৰেঞ্জাৰিক স্কট আৰ্চাৰ নামৰ এজন লোকে প্ৰথম সফল আইখ্ৰেনিং কাঁচেৰে তৈয়াৰ কৰা এটা চেলুলজ দ্ৰৱৰ সহায়ত ফটো প্ৰিন্ট কৰাৰ বাবে প্ৰয়োজনীয় ফটোগ্ৰাফিক গ্লাছ প্লেট বা কাঁচৰ ফলক প্ৰস্তুত কৰে। পিছে এইবোৰ প্লেটৰ এটাই অসুবিধা আছিল যে ফটো তোলাৰ আগমুহূৰ্তত এই বিশেষ দ্ৰৱটোৰে তিয়াই লব লাগে আৰু ফটোগ্ৰাফিক প্লেটবোৰ তিতি থকা সময়লৈকেহে এইবোৰেৰে ফটো তুলিব পৰা যায়।

এই অসুবিধা দূৰ কৰিবৰ বাবে ফ্ৰ আৰ এচ কেওঞ্জ নামৰ এজন লোকে ১৮৫১ চনত প্লাষ্টিক ফটোগ্ৰাফৰ ফিল্মটো ব্যৱহাৰ কৰিবলৈ লয়। ইয়াৰ পাছত সে কাচীৰ ভিতৰত লোকসকলে ফিল্মটো ব্যৱহাৰ কৰিলে ঠাইখনৰ ফটো লোৱা সহজ হয়। অৱশেষত ১৮৮৯ চনত জৰ্জ ইষ্টমেন নামৰ এজন আমেৰিকানে নাইট্ৰ'চেলুলজ ফিল্ম (ৰোলৰ ফিল্ম) আৱিষ্কাৰ কৰে। এই আৱিষ্কাৰৰ ফলত ফিল্মটোৰ আকাৰ সৰু প্লাষ্টিকৰ ৰোল ব্যৱহাৰ কৰাটো সহজ হয়। ইষ্টমেনৰ ৰোলৰ ফিল্মবোৰত একেলগে একাধিক ফটো তোলাৰ পাছত প্ৰিন্টবোৰ লেবৰেটৰিত দিব লাগিছিল। কৰি দিয়ে উলিওৱা হয়। ১৯৩৫ চনত লিওপল্ডৰ গড'স্কি আৰু লিঅ'পল্ড মেনেচ নামৰ দুজন সংগীতজ্ঞই কডাক্ৰম নামৰ ৰঙীন ফটো তুলিব পৰা ফিল্ম আৱিষ্কাৰ কৰে।

শ্ৰীমতী কবিতা গোঁসাই
স্নাতক পঞ্চম ষাণ্মাসিক

## 'ভেলেন্টাইন ডে' ইতিহাস জড়িত কিছু কথা.........

প্ৰতি বছৰে আমি ১৪ ফেব্ৰুৱাৰীৰ দিনটো মৰমৰ দিন বা ভেলেন্টাইন ডে হিচাপে পালন কৰি আহা হৈছে। এই দিবস সম্পৰ্কে বুদ্ধিজীৱিসকলে ভিন ভিন মতামত ব্যক্ত কৰে। ইংলেণ্ডত আধুনিক যুগৰ আৰম্ভণিৰ পৰা এই দিবস পালন কৰে যদিও উনৈশ শতিকামানৰ পৰাহে ইয়াৰ জনপ্ৰিয়তা বৃদ্ধি পাবলৈ ধৰে।

অনুমান কৰা হয় ২৭৮ খ্ৰীষ্টাব্দৰ ১৪ ফেব্ৰুৱাৰীত ৰোমান সম্ৰাট দ্বিতীয় ক্লডিয়াছৰ শাসন কালত সৈন্য-বাহিনীসকলৰ বাবে এক কঠোৰ নিয়ম বলবৎ কৰিছিল। এইজন সম্ৰাটৰ শাসনকালত ৰোমে কেইবাখনো দেশৰ বিৰুদ্ধে যুদ্ধ কৰিব লগা হৈছিল। ৰোমান সম্ৰাটজনে ভাবিছিল যে ৰোমৰ মানুহবোৰে সহধৰ্মিনীৰ লগত থকা সু-সম্পৰ্কৰ বাবে সৈন্যবাহি-নীত যোগদান কৰা নাছিল। সেয়ে সম্ৰাটে বিয়া আৰু প্ৰণয় বন্ধ কৰি দিয়ে। কিন্তু সম্ৰাটৰ এই আদেশক উলংঘা কৰি 'ভেলেন্টাইন' নামৰ এজন ধৰ্ম যাজকে প্ৰেমিক-প্ৰেমিকাসকলক মনে মনে বিয়া পতাই দিয়ে। ৰজা জানিব পাৰি এই কথাৰ উমান পায় ভেলেন্টাইনক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ নিক্ষেপ কৰিলে। তাত তেওঁক অকথ্য নিৰ্যাতন চলোৱা হয়। ছেইন্ট ভেলেন্টাইন কাৰাগাৰত থকা সময়তে, কাৰাগাৰৰ অধীক্ষকৰ জীয়ৰীৰ লগত এখন

Scanned with OKEN Scanner

বিদায় পত্র লিখিছিল আৰু পত্ৰৰ শেষত 'ইতি তোমাৰ ভেলেন্টাইন' বুলি উল্লেখ কৰিছিল। তেওঁ কাৰাগাৰত থকা সময়তে দুয়োৰে মাজত বন্ধুত্বৰ সম্পৰ্ক গঢ় লৈ উঠিছিল। বিয়া অথবা অব্যাহত ৰাখিবৰ বাবে ভেলেন্টাইনৰ এই ত্যাগ বাবে তেওঁৰ নামৰ আগত ছেইন্ট উপাধি দিয়া হৈছিল। সম্ৰাটৰ এই আদেশক ছেইন্ট ভেলেন্টাইনে তীব্ৰভাৱে প্ৰত্যাখ্যান কৰি আহিছিল আৰু যাৰ পৰিণতিত ২৭০ খ্ৰীষ্টাব্দৰ ১৪ ফেব্ৰুৱাৰীত মৃত্যুদণ্ডৰে দণ্ডিত কৰা হৈছিল।

প্ৰাচীন ৰোমত ১৪ ফেব্ৰুৱাৰীত 'লিউপাৰকেলিয়া' নামৰ এটি প্ৰেমৰ উৎসৱ পালন কৰি অহা হৈছিল। এই উৎসৱত যুৱতীবোৰে নিজৰ নিজৰ নামবোৰ লিখি এটা বাকচত ভৰায় ৰাখিছিল। তাৰ পৰা যুৱকসকলে এটা টুকুৰা উঠাই লৈছিল আৰু যাৰ নাম আহে সেই জনীয়ে তেওঁৰ জীৱনৰ সংগী হ'ব পাৰিছিল। ধৰ্মযাজক গেলাছিয়াছে ৪৯৮ খ্ৰীষ্টাব্দত 'লিউপাৰকেলিয়া' নামৰ এই উৎসৱটি বন্ধ কৰি দিছিল আৰু এই দিনটোতে 'ভেলেন্টাইন ডে' হিচাপে পালন কৰিবলৈ আহ্বান জনাইছিল। অনেকেয়ে হয়তো ১৪ ফেব্ৰুৱাৰীৰ দিনটো বিশ্বজুৰি আজিৰ এই দিৱস হিচাপে স্বীকৃতি লাভ কৰিছিল।


পৃথিৱীৰ ভিন ভিন প্ৰান্তত এই কাহিনীৰ আলমতে দেশে-দেশে বিভিন্ন প্ৰকাৰে

উদ্ভাসিত হৈ আছিছে এই অৱসৰ 'ভেলেন্টাইন ডে'।

শ্ৰীমতী বিস্মী পাল।
স্নাতক পঞ্চম ষাণ্মাসিক।

# নাৰী স্বাধীনতা আৰু সামাজিক মৰ্যদা

বৰ্তমান সমাজত সকলো ক্ষেত্ৰতে আত্মপ্ৰত্যয় ৰাখি আজিৰ মহিলা সকলে যথেষ্ট আগবাঢ়ি গৈছে। বহুদিন আগৰে পৰা আৰম্ভ কৰি আকাশমাৰ্গলৈ মহিলা সকলৰ যাত্ৰা যথেষ্ট উৎসাহপূৰ্ণ হৈছে। বৰ্তমান সমাজত নাৰীক ৰীতি-নীতিৰে বান্ধি ৰাখিব বিচাৰিলেও কিন্তু তাৰ মাজতেই বহু নাৰীয়ে পুৰুষতকৈ বেছি বিভিন্ন দিশত আগবাঢ়ি গৈছে। বৈদিক যুগৰ মৈত্ৰেয়ী, গাৰ্গী, অদিতি আদি বিদুষী নাৰীৰ পৰা আৰম্ভ কৰি আমাৰ চৈৰেন্দ্ৰা, কল্পনা চাওলা, ইন্দিৰা গান্ধী, সুলাপাৰেক, জয়মতী, কনকলতা আদি নাৰীৰ উপৰিও আৰু বহু নাৰী আছে যি সকলৰ গুণৰ শেষ কোনো নাই। বহু সমাজত পুৰণি ৰীতি-নীতি, পৰম্পৰা আদি থাকোতেও গাঁৱৰ যুৱতী তথা নাৰীসকল নিজৰাই আহিব লগা যুদ্ধ। সমাজৰ কোনো মানুহে আজিও মহিলা সকলৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিব বিচাৰে। কিন্তু বৰ্তমান জীৱন-যাত্ৰা তথা চিন্তাধাৰাৰ বহুতো সলনি হৈছে। আজিৰ মানুহে তেনে কঠোৰ পৰম্পৰা যুক্তি চিন্তাসহীন বুলি শোষণ কৰে।



নাৰীৰ স্বাধীনতা তথা মুক্তিৰ সংজ্ঞা দিছে বিশ্বৰ সৰ্বত্ৰ একে নহয়। পশ্চিমৰ উন্নত দেশত নাৰী আৰু পুৰুষৰ স্থিতি তথা ব্যৱহাৰ আমাৰ দৰে অনুন্নত বা উন্নয়নশীল দেশৰ দৰে একে নহয়। পশ্চিমৰ সমৃদ্ধ দেশসমূহত ঘৰ পৰিয়ালৰ কোনো


নাৰীয়ে উন্নত চুইডিছ দেশৰ দৰে ৰাজপথত কেঁচা বস্তা বলোৱা বস্ত্ৰত ধাৰন যাপন কৰিব লাগে। আনত দেশত নাৰীক পূজাও কৰা হয়, ধৰ্ষণো কৰা হয়। যৌন শোষণ বা নিৰ্যাতনৰ অংশটো বাদ দি আন ক্ষেত্ৰত হোৱা শোষণ-পীড়নৰ লগত আৰ্থিক অৱস্থাও জড়িত। আৰ্থিক অৱস্থাৰ উন্নতি তথা আধুনিক মনৰ অধিকাৰী লোকসকলে বুজে যে - নাৰী আৰু পুৰুষৰ অধিকাৰ-দিশৰে সমান, দায়-দায়িত্বও সেইদৰে সমান। নাৰীসকল মানসিকভাৱে সবল হ'ব লাগিব। সমাজখন সুস্থ সবল ৰূপত গঢ়ি তুলিব লাগিব কেৱল নাৰীয়ে। আজিৰ যুৱতী তথা মহিলাসকলে ঘৰৰ বাহিৰলৈ ওলোৱাটো অতি আৱশ্যক হৈ পৰিছে। বাহিৰৰ জগতখনে নাৰীসকলক বেছি আকৰ্ষিত কৰে। আজিৰ মহিলা বহুলাংশে সজাগ হৈছে। বস্তুত নাৰীয়ে বৰ্তমান সময়ত নিজৰ অধিকাৰ খিনি বিচাৰি খুঁজি দিবলৈয়ো শিকিছে। এক বন্ধনমুক্ত সমাজ গঠনত আৰু নাৰীৰ অৱস্থান এক তাৎপৰ্যপূৰ্ণ বিষয় হৈ উঠিব পাৰে। তাৰ বাবে নাৰীসকলে মূলতঃ তেওঁলোকৰ শিক্ষাত ধাৰণাক মূল্যায়ন কৰাত আহি পৰিছে। জীৱন পৰিক্ৰমাত সৎ, সুন্দৰ, পাৰিবাৰিক জীৱন বোধে সামগ্ৰিকভাৱে গোটেই সমাজখনতে প্ৰভাৱ বিস্তাৰ কৰে, যাৰ বাবে প্ৰয়োজন হয় সহনশীলতা আৰু

উদাৰতা।

শেষত ক'ব পাৰি যে নাৰীৰ কৰ্তব্য অলেখ বা নাৰীত দায়িত্ব অধিক। সেয়েহে নাৰীসকলে মানসিক ভাৱে সবল সুস্থ হৈ উঠক। সকলো কু-সংস্কাৰ, অন্ধবিশ্বাস, অপ্ৰয়োজনীয় ৰীতি-নীতি, অন্যায়-অবিচাৰৰ বিৰুদ্ধে মাত মাতি সমাজখন সঠিক দিশত আগবঢ়াই নিয়াত আগভাগ লওক। বিশ্বৰ উন্নত দেশৰ দৰেই আমাৰ সমাজতো নাৰীয়ে আপোন মৰ্যদা পাওক, নাৰী বা পুৰুষ বুলি কোনো বিদ্বেষ নাথাকক, এখন নাৰী পুৰুষৰ সম অধিকাৰৰ সমাজ গঢ়ি উঠক। তেতিয়াহে আমি নিজকে একবিংশ শতিকাৰ শিক্ষিত পুৰুষ-নাৰীৰ মাজত দাঙি ধৰিব পাৰিম।

— শ্ৰীমতী পিংকী শৰ্মা
তৃতীয় ষাণ্মাসিক

# শিৱসাগৰৰ ঐতিহাসিক নগা গাঁও আৰু তাৰ সংস্কৃতিৰ চমু অৱলোকন



ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ হাঁহচৰা মৌজাৰ অন্তৰ্গত সাৰিগৰা আলিৰ কাষত এখনি নগা গাঁও অৱস্থিত। ইয়াক টিংএআ বস্তি বুলিও কোৱা হয়। গদাধৰ সিংহৰ ৰাজত্বকালত প্ৰায় ১৬শ শতিকাৰ শেষভাগত নাগালেণ্ডৰ মন জিলাৰ পৰা আহি কেইজনমান নগা লোকে হাঁহচৰা মৌজাত সিতাপি লৈছিল। প্ৰবাদ মতে, নাগালেণ্ডৰ মন বস্তি আৰু টিংএআ নামৰ দুই দলৰ মাজত ঘটা সংঘাতৰ বাবে গুৱানপাম নামৰ এজন ব্যক্তিৰ লগতে দহজনীয়া এটি গোট অসমলৈ আহে আৰু আহিয়েই শিৱসাগৰ জিলাৰ হাঁহচৰা মৌজাস্থিত মেৰামৰা সত্ৰৰ তেতিয়াৰ গোঁসাইক সাক্ষাৎ কৰাত তেওঁ অঞ্চলটোৰ ফুলচোং পুখুৰীৰ পাৰত এই নগা লোকসকলক আশ্ৰয় প্ৰদান কৰে। অসমীয়া আৰু নগা জনগোষ্ঠীৰ সংস্কৃতিৰ মিলনভূমি এই নগা গাঁৱত বসবাস কৰা নগা লোকসকলে অতীজৰে পৰা মেৰামৰা সত্ৰত গোঁসাইৰ তত্বাৱধানত হিন্দু ধৰ্ম গ্ৰহণ কৰি বাস কৰি আছে। নগা গাঁৱৰ লোকসকলে চতুৰ্দীঘা অঞ্চলৰ লোকৰ লগত সুসম্পৰ্ক [illegible] কৰি আছে। নিজৰ পৰিয়ালৰ লোকৰ লগতে তেওঁলোকে অন্যান্য

দোকানত কথা পাতে আৰু সুন্দৰকৈ অসমীয়া ভাষা ক'ব আৰু লিখিব পাৰে। পাতিকৈ স্কুল-কলেজ, অফিচ-কাছাৰীত তেওঁলোকে অসমীয়া ভাষাটোকে ব্যৱহাৰ কৰে, যাতে সকলোৱে বুজি পায়।

এই নগা গাঁওখনত বৰ্তমান চাৰিটা বংশৰ লোকে বসবাস কৰে। চি, ওৱাংচু, লুক আৰু টিংঘেমোৱ বংশৰ লোক। ইও এখন পিতৃপ্ৰধান সমাজ। নগা লোকসকলৰ সমাজতো উচ্চ-নীচৰ ভেদ দেখা পোৱা যায়। উল্লেখযোগ্য যে এই চাৰি বংশৰ মাজত লুক বংশক (ৰজাৰ পৰিয়াল) আৰু ওৱাংচু বংশক (ৰজাৰ প্ৰহৰী পৰিয়াল) নামেৰে জনা যায়। পাতিকৈ এই দুই বংশৰ মাজত ল'ৰা-ছোৱালীৰ বৈবাহিক সম্বন্ধ নিষেধ বুলি নগা সমাজত প্ৰচলিত আছে।

কন্যাক নগাসকলৰ বৈবাহিক প্ৰথা অতি আকৰ্ষণীয়। বিবাহৰ প্ৰথা অনুসৰি প্ৰায় এবছৰৰ পূৰ্বে কইনাঘৰত জোৰোণ দিয়াৰ নিয়ম নগাসকলৰ সমাজত প্ৰচলিত। জোৰোণ দিয়া সময়ত দৰাঘৰে কইনাঘৰত আপাচুান, পাছো' নামৰ বস্তু পৰম্পৰা মতে ভাৰে প্ৰদান কৰি জোৰোণ দিয়ে। বিয়াৰ দিনা কইনা আনিবলৈ দৰাৰ পৰিৱৰ্তে দৰাৰ মাক-দেউতাক তথা পৰিয়ালবৰ্গ কন্যা ঘৰলৈ যায়। পিতলেৰে নিৰ্মিত 'সোমাং' নামৰ এবিধ সামগ্ৰী কন্যাৰ মূল্য হিচাপে দি কন্যাক দৰা ঘৰলৈ লৈ আহে। দৰা ঘৰত কন্যা আহি পোৱাৰ পাছত

পৰম্পৰা অনুসৰি লোহংটাৰ কণত কন্যা শিয় কৰায় আৰু গাঁওখনৰ বয়োজেষ্ঠসকলক সাক্ষী কৰাই এটা শুভ্ৰ বগা কুকুৰা মাৰি পেটু উলিয়াই নৱা কন্যাৰ বৈবাহিক জীৱন সম্পৰ্কে মংগল চাই বেদান্তিয়ে ভৱিষ্যৎবাণী কৰে।

উৎসৱ পাৰ্বণৰ ক্ষেত্ৰতো নগাসকলৰ পৰম্পৰা কিছু সুকীয়া। এই অঞ্চলত বসবাস কৰা নগা কন্যাকসকলে গাঁওখনত দুটা উৎসৱ পালন কৰে। এটা হৈছে আওলিং বিহু আৰু আনটো হৈছে আওনি বিহু। আওলিং বিহু উৎসৱ চ'ত মাহত পালন কৰা হয় আৰু আওনি বিহু আহিন মাহত উদযাপন কৰে। আওলিঙৰ প্ৰথম দিনা নগাসকলৰ অন্যতম উপাসনা গৃহ বা স্বৰং ঘৰত গাহৰি আগবঢ়াই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। পিছদিনা সেই গাহৰিৰ মাংস গাঁওবাসীৰ মাজত খোৱাৰ নিয়ম আছে। তদুপৰি গাহৰিৰ তেজ আৰু যু (লাওপানী) কৌপাতত আগবঢ়াই ভগৱানৰ ওচৰত মংগল কামনা কৰে। এই উৎসৱৰ দিনা গাঁওখনৰ জ্যেষ্ঠজনৰ ঘৰৰ পৰা আৰম্ভ কৰি ঘৰে ঘৰে হুঁচৰি গায় ডেকাসকলে। আওলিঙৰ দিনা শেষৰ দিনটোত নগাসকলে পৰম্পৰাগত ভাৱে চিকাৰ কৰিবলৈ যায় আৰু চিকাৰ কৰি অনা এটা জীৱ-জন্তুৰ তেজ কৌপাতত আগবঢ়াই আৰাধ্য দেৱতাৰ ওচৰত প্ৰাৰ্থনা কৰি পৰিয়ালৰ মংগল কামনা কৰে। আওলিং

বিহুত নগা জনগোষ্ঠীৰ বিশেষ খাদ্য বৰা চাউল, লাওপানী, গাহৰি মাংস, কুকুৰা মাংস, পছলা আদি খাদ্য সম্ভাৰেৰে পৰিয়াল তথা অতিথিক আপ্যায়িত কৰে ।

আনহাতে আওনি বিহু উৎসৱত মুৰং ঘৰত গাঁওখনৰ পুৰুষসকলে গাঁহৰি মাৰি খোৱাৰ নিয়ম আছে । আৰু পোন্ধৰ বছৰৰ ওপৰৰ নগা ডেকাসকলে ৰাতি মুৰং ঘৰত থাকি পহৰা দি থাকে । তাৎপৰ্যপূৰ্ণ যে, মুৰংঘৰত নগা জনগোষ্ঠীৰ মহিলাসকলৰ প্ৰৱেশ নিষিদ্ধ ।

নগা জনগোষ্ঠীৰ পুৰুষ-মহিলাসকলৰ সাজ-পাৰৰ ক্ষেত্ৰতো সুকীয়া বৈশিষ্ট্য পৰিলক্ষিত হয় । নগা পুৰুষসকলে বিহুত পৰিধান কৰা সাজপাৰ বোৰৰ ভিতৰত — মূৰত ধনেশ চৰাইৰ পাখি লগত বনোৱা টুপী (খহম), বিহু চোলা, হাতত হাতী দাঁতৰ লগত বনোৱা মণি (জাক-খাপ), জনগোষ্ঠীয় গামোচা, পুৰুষৰ কঁকালত হুৰা (ৰাই-জাং), হাতত যাঠি (পাঃস্থ), আৰু বৰকাঁহ আদি পৰিধান কৰে ।

মহিলা সকলে পৰিধান কৰা বিভিন্ন জনগোষ্ঠীৰ সাজপাৰৰ ভিতৰত মেখেলা (নিছা), ৰঙা চোলা, চাদৰ (খাঃ ভাইঃ), ডিঙিত মণি (লিক-জাপা), হাতত খাৰু (খাপ-চান), মূৰত চকফেই নামৰ বস্তু এবিধ পৰিধান কৰে ইত্যাদি । মুৰৰ ওপৰত নগাসকলৰ বাছকবনীয়া ৰীতি-

নীতিয়ে তেওঁলোকক বাৰ্তি অকণাও সহায় কৰিছে।

বিভিন্ন ৰীতি-নীতিৰ মাজতো অসমীয়া আৰু নগা জনগোষ্ঠীৰ ঐক্য সংহতিৰ মিলনেৰে, ভাতৃত্ব বোধেৰে গঢ়ি তোলা এই নগা গাঁও খনক এখন আদৰ্শ স্বৰূপ বুলিব পাৰি।

শ্ৰীমতী মমী বৰুৱা।
স্নাতক পঞ্চম ষান্মাসিক।

# গল্পৰ

# পাপৰি......

অনুভূতিসমূহ সজীৱ হৈ উঠে এনে এগৰাকী ব্যক্তিৰ হাতৰ কোমল পৰশত!....

যি গৰাকীৰ ব্যক্তিৰ গল্প সমূহৰ মাজত আমি উপলব্ধি কৰিব পাৰোঁ মানুহৰ মনৰ আবেগ, অনুভূতি, সপোন আৰু বহুতো আশা- আকাংক্ষা....

# কলিতে মৰহা গোলাপ

পৰহিলৈ পূৰ্ণিমা। জয়ৰামে কেৱল দুই আহ্মা ভোগনৌলৈ চাই চাই থাকিলে সি এতিয়া কি কৰিব। যোৱাটো পূৰ্ণিমাতে সি পাৰিব হৰিমন্দিৰৰ পৰা টকা দুইশাৰি মাৰিলৈ আনিছিল এইটো পূৰ্ণিমাতে দুৰ্বাৰ পিয়াৰ অগতিশক্তিৰে। কিন্তু এইটো পূৰ্ণিমালৈ আৰু মাজতে মাত্ৰ এটা দিন। অথচ সি টকাৰ যোগাৰ এতিয়াও কৰিব পৰা নাই। আপিনে আকৌ পাৰিব নীৰেণ দোকানীৰ ওচৰত সি বাকীত খোৱা আছে আছে। সিও অকলে কিমান কৰিব! ঠেলা অন তাৰ নিজৰ হোৱা হলেও কোনো কথা নাছিল। সিতো প্ৰকৃত লোৱা ঠেলাহে। দিনে পঞ্চাছ টকাকৈ দিব লাগে মালিকক। লগৰ বাকী ঠেলাৱালা বোৰৰ প্ৰত্যেকৰে এখোনকৈ নিজা ঠেলা গাড়ী আছে। সিহঁতে যাৰা সাৰি দিনটোত যিমান টকা পায় সকলোখিনি নিজৰ পকেটত থাকে। মাত্ৰ জয়ৰাম আৰু দেহিৰামহে নিজৰ ঠেলা এখোন কিনি লব পৰা নাই। হলেও দেহিৰামৰ যিমান চিন্তা নাই। পৰিয়ালৰ কম। সি কৈ - ঘৈনীয়েক আৰু ল'ৰাটোৰে তিনিটা মাত্ৰ। খাবা সাৰি যিখিনি টকা পায় তাকেই টুকটাক কৈ চলি যায়। কিন্তু সমস্যা জয়ৰামৰ। ছোৱালীয়েই চাৰিজনী। ল'ৰা সন্তানলৈ আশা কৰি থাকোতে চাৰিজনী ছোৱালীয়ে হ'ল। এতিয়াতো আৰু সিহঁতক পালিবাই পেলাব লোকাৰি। ছোৱালী চাৰিজনী আৰু ঘৈণীয়েকত লগত দুয়োটকৈ প্ৰাণী।

আগতে থৈনীমেকে যোলেপৰ ঘৰত কাম কৰি কিছু টকা আনিছিল বাবে ঘৰ চলোৱাত ইমান কষ্ট হোৱা নাছিল। কিন্তু এতিয়া চাৰিজনীকে জোৱালী জন্ম দি মানুহজনী একেবাৰে বেমাৰী হৈ পৰিল। সৰু জোৱালীজনী জন্ম হওঁতে তাই দুসপ্তাহ মান বিচনাৰ পৰাই উঠিব পৰা নাছিল। এতিয়া ডাক্তৰক দেখুৱাওঁতে বহুতো ঔষধ আৰু ভিটামিন কিনি খুৱাবলৈ দিছিল। পিন্টু ভয়ৰাম্মে সেইবোৰ কিনেনো কেনেকৈ? ঔষধৰ খিনিয়ে দুই-তাই দাম। সেই কেইদিন পি টেলা চলাবলৈ নপৈ ঘৰতেই থৈনীয়েক কেঁচুৱাৰ আলপৈচান ধৰোতেই সাঁচতীয়া টকা কেইটাও খৰচ কৰিবলগীয়া হ'ল। জোৱালী কেইজনী ডাঙৰ হোৱা হ'লেও কাৰোবাৰ ঘৰতে কাম কৰাকৈ থব পাৰিলেহেঁতেন। পিন্টু ডাঙৰ জোৱালীজনী বয়স এতিয়া বহাগত এঘাৰত সোমাব। ইপিনে তাই আকৌ স্কুললৈও যায়। তাৰো এই কেইদিন বাপেকক কৈ আছে কাপী নে কলম কিবা লাগে হেনো। সিদিনা সিইতৰ স্কুলৰ মাষ্টৰে ভয়ৰামক লগ পাই কৈছিল যে তাই হেনো পঢ়াত ভাল। পিন্টু ভাল হ'লেনো কি হ'ব? বাপেকৰ যে তলি উদং। ভয়ৰামে পিন্টু মনে মনে তাইক পঢ়া এৰুৱাব বুলিয়ে ভাবি আছে। নহ'লে যে সি উপায়হীন। তাইক স্কুলৰ পৰা এৰুৱাব পাৰিলে কাৰোবাৰ ঘৰত কেঁচুৱা ৰখাকৈ হ'লেও যদি থৈ দিব পাৰে। তেন্তে মাহত এশ টকা হ'লেও পাব। টকা এশ পোৱা মানেই সি অলপ সকাহ

পাব। সৰু কেইজনীক স্কুললৈ পঠাই দি বেছেগল চপাই-লোৱা নাই। সিহঁত কেইজনী ঘৰতে থাকে। তাতে আকৌ খৰচো কম। এনেতে তাৰ লগৰ দেহিৰামে নঙলা মুখেৰে ঘোতাললৈ সোমাই আহিল।

: কাইটি, বোলো ঘৰত আছানে?

: কোন? অ' দেহি! আহ, বহহি আহ।

: কাইটি, তুমিনো অকলে-অকলে বাহিৰত বহি কি চিন্তা কৰি আছাহে?

: চিন্তা নকৰিনো আৰু কি কৰিম। তই দেখোন জানই মোৰ কপালখনৰ কথা। তোৰা ভাগলি পাৰিও সংসাৰত থাৰ-লৈ নোৱাৰো। পৰহিলৈ মহাজনৰ পৰা অনা টকাখিনি দিয়াৰ দিন। সেয়াও টকা জেনেতেনে যোগাৰ কৰিছিলো, সেই খিনিৰেও যোৱাকালি আমাৰ সাৰুনীত থাকে পেটৰ বিষত কান্দি থকা দেখি জিমলৰ ফাৰ্মাচিৰ পৰা ঔষধ আনিলোগৈ। ভগৱানেও আমালৈ এবাৰ মুখ দাঙি নোচোৱা হ'ল দেখি।

: মই জানো কাইটি, সেইবাবেতো ৰাতি হ'লেও তোক এবাৰ জনাও বুলি আহিলো।

: কি খবৰ অ'?

: মই ঘৰলৈ বুলি আহি থাকোতে হঠাতে সিপাৰ গাঁৱৰ-হেম দোকানিয়ে মাতি ক'লে যে কালিলৈ হেনো তাৰ দোকানত-বহুত বস্তু আহিব চহৰৰ পৰা আনি দিব লাগিব। সি জিনিসবোৰ তোলাৰ কথা ক'লে। তেতিয়া মই তোৰ আৰু ভনিতাত

কথা কলো। সি আকৌ লোকে ওঁহতক খবৰটো দিবলৈ কলে। পতিকে তই আৰু প্ৰতিমা চিন্তা কৰি থাকিব নালাগে। কালিলৈ পুৱাই হেম দোকানীৰ ঘৰত ঠেলাৰে সৈতে হাজিৰ হবিগৈ। কনপিতৌক খবৰটো দিওগৈ।

: হব দে বাৰু। মই কালিলৈ যাম।

দেহিৰামৰ পৰা খবৰটো শুনি, ভূধৰামৰ মনটো ভাল লাগিল। চহৰ-খনৰ গাঁৱৰ পৰা কছু দূৰত। পতিকে কালিলৈ তাৰ নিশ্চয় ভাল আৰ্জনেই হব। পৰহিলৈ মহাজনৰ টকাখিনি অন্তত সি পৰিশোধ কৰিব পাৰিব। নহলে আকৌ সুতে-মূলে দুগুণ হবগৈ। দোকানৰ বাকীও অলপ মাৰিব পাৰিম।

সি ঘৰৰ পৰা ওলাওঁতে ভগৱানৰ ওচৰত সদায় প্ৰাৰ্থনা কৰে দিনটো যেন সি ভাল পাবা পায়। পিছে ভগৱানে কেতিয়াবা তাৰ প্ৰাৰ্থনা শুনে, কেতিয়াবা আওকাণ কৰে। তথাপিতো সি ভগৱানক বেয়া নাপায়। গাঁওতে সদায় সি গাঁৱৰ নামঘৰটোলৈ চাই সেৱা কৰে।

ভূধৰামে ৰাতিপুৱা আনদিনাতকৈ অলপ সোনকালে শোৱা পাটীৰ পৰা উঠিলে আৰু ঘৈণীয়েকে নিমখ তেলেৰে আগবঢ়াই দিয়া পইতা ভাত অলপমান খাই সি ঠেলাখন লৈ হেম দোকানীৰ ঘৰ অভিমুখে যাত্ৰা আৰম্ভ কৰিলে। সিখন গাঁৱত গোসাঁইছিলগৈ আগে, বহুত মানুহে দা-কটাৰী লৈ কিবা আলোচনা কৰি থকা দেখিবলৈ পালে। সিফালৰ পৰা দেহিৰামেও তাক দেখি

আপৰাটি আছিল।


: কি হ'ল অ' দেহি? বজাৰত মানুহ জুম খাইছে যে কি হৈছে লো?

: কিয়টো, তই খবৰটো শুনা নাই? শোৱাৰাতি প্ৰায় ২২ মান বজাত যেনেকৈ হঠাতে খেচাৰ উঠি হেম দোকানী শিৱনীলে পলে। সেয়ে অলপ আগতে টেলিফোন লৈ আহিছে খবৰ পালো। সেইৰা কলপিটোও আহি আছে। কিও পুলিচে পোৱা নাই ছাপে। আচলতে মালিকটোৱেই পাল যেতিয়া আজি আমাৰ চহৰলৈ ঘোৰাটো পাল আৰু।

দেহিৰামৰ কথা শুনি জয়ৰামৰ মূৰটো ঘূৰাই যোৱা যেন লাগিল। সি টেলিফোন ৰাস্তাৰ কাষত থৈ মাটিতে বহি পৰিল। কিমান আশা কৰি গুলাই আহিছিল অথচ তাৰ সকলোবোৰ আশাতে এই হেম দোকানীটো মাৰি কেটৌ পানী ঢালি দিলে। আৰু দুদিন পাছত সি সৰিব নোৱাৰিলে চাল্লী! সৰা মানুহটোৰ ওপৰত তাৰ খং উঠি পাল আৰু দুয়োটা চকুতে দুটোপাল চকুৰ পানী শিলিকি উঠিল।

শ্ৰীমতী জোনমণি গগৈ
প্ৰথম ষাণ্মাসিক —

# অতীতৰ স্মৃতিত আলোকিত জীৱন



সেইদিনাও ৰীমাৰ বাবে অপেক্ষা কৰি কৰি অৱশেষত অপাৰি পৰি মানুহজন পুনৰ ঘৰলৈ গুচি গ'ল। এইদৰে মানুহজনে প্ৰত্যেকদিনাই ৰীমাৰ ঘৰত কলিংবেল বজায় আৰু বনকৰা ছোৱালী জনীয়ে কহিবলৈ আহি কয়, 'বাইদেউ নাই'। ৰীমা এগৰাকী কলেজৰ অধ্যাপিকা হোৱাৰ বাবে ৰাতিপুৱাই কলেজলৈ গুচি যায় আৰু গধূলি আহি ঘৰত সোমায়। সেইবাবে সেই সময়ছোৱাত মানুহ আহিলেও ৰীমাক লগ নাপায়। তিনিদিন কলেজ বন্ধত দিনটো ৰীমাই খুলি লোৱা অনাথ আশ্ৰম আৰু অন্যান্য ৰাজহুৱা কামত ব্যস্ত হৈ পৰে। যেনে তেওঁক লগ পোৱাটো সাধাৰণতেই জটিল। সেইদিনা আছিল দেওবাৰ। কলেজ বন্ধ হোৱাৰ বাবে ৰীমাই সেইদিনা ঘৰুৱা কামত ব্যস্ত হৈ আছিল আৰু তেতিয়া কলিংবেল বাজি উঠিল। ৰীমাই ঘৰৰ বনকৰা ছোৱালীজনীয়ে আহি ৰীমাক ক'লে, 'বাইদেউ মানুহজন আজিও আহিছে।' ৰীমাই মানুহজনক ভিতৰত বহিবৰ বাবে বনকৰা ছোৱালীজনীক কৈ অলপ সময়ৰ পাছত ওলায় গ'ল। ৰীমাই দেখিলে এজন আদহীয়া মানুহে ৰীমাক দেখাৰ লগে লগে 'বাইদেউ' বুলি সম্বোধন কৰি থিয় হ'ল। ৰীমাই আদহীয়া মানুহজনৰ তেনে ব্যৱহাৰ অলপ সংকোচিত অনুভৱ কৰি তেওঁক বহিব দিলে। মানুহজনৰ লগত ৰীমাৰ কথা-বতৰা হ'ল আৰু অতি কম সময়ৰ ভিতৰতে এটা আত্মীয়তা গঢ়ি উঠিল। আদহীয়া মানুহজনে ৰীমাক কথাৰ মাজতে এবাৰ

ক'লে, 'কিয়নো, তোক অলপ সহায় কৰিবলৈ ?' ৰীমাই ক'লে," কওকচোন মই আপোনাক কেনেকৈ সহায় কৰিব লাগে।' মানুহজনে ক'লে 'মোৰ এজনী স্কুলত পঢ়া ছোৱালী আছে। তাই পঢ়া-শুনাত যথেষ্ট ভাল হোৱাৰ লগতে অন্যান্য বিষয়তো তাই যথেষ্ট পাৰ্গত। কিন্তু জানিছেই ছাগে এই নিঃকিন লোকজনে তাইক পঢ়া-শুনাৰ কাৰণে কিতাপ-পত্ৰতো বাদেই এসাঁজ ভাতো যোগাৰ কৰিবলৈ অসমৰ্থ। গতিকে আপুনি আৰ্থিক ভাৱে দুৰ্বল মানুহক পঢ়া-শুনা বা অন্যান্য বিষয়তো সহায়ৰ হাত আগবঢ়োৱাৰ কথা শুনিয়ে ইমান কষ্ট কৰি আপোনাৰ ওচৰলৈ আহিছোঁ বুলি কৈ হুকহুকাই কান্দি দিলে। লগে লগে ৰীমাৰ মনত পৰিল তাই কলেজীয়া জীৱনৰ কথা। যি সময়ত ৰীমাৰ এখন কিতাপ বা এটা কলমৰ বাবে দেউতাকে লোকৰ ঘৰে-ঘৰে দিনে হাজিৰা কৰিব লাগিছিল। এদিন যে ৰীমাৰ দেউতাকে ৰীমাৰ ঘৰৰ পৰা প্ৰায় দুই কিলোমিটাৰ দূৰৰ সেই যদু খুৰাৰ ঘৰত কাম কৰোঁতে কেনেকৈ যদু খুৰাক পইচা বিচাৰোঁতে দেউতাকৰ অত্যাধিক শৰীৰত প্ৰহাৰ কৰি বাৰাণ্ডাত পেলাই থৈছিল। তেতিয়া ৰাতি প্ৰায় ৭ বাজিছিল। ৰীমা, মাক আৰু ভায়েকে দেউতাকৰ বাবে বাট চাই আছিল। ৰীমাহঁতে ভাবিছিল দেউতাকে যদু খুৰাৰ পৰা পোৱা পইচাৰে ঘৰৰ বাবে বয়-বস্তু বজাৰ কৰি আনাৰ লগতে ৰীমাহঁতলৈ কাগজ-কলম আৰু খোৱা-বস্তুও আনিব। এনেতে ৰীমাই মাকক ক'লে,

'মা, দেউতা আজি ইমান সৰলে যে অহা নাই।' ৰীনাৰ মাকে ক'লে, 'এৰা। দেউতাই অন্য বস্তুৰে ৰাতিৰ ভাতসাঁজ ৰান্ধিম বুলি থাৰি ৰখোঁ। দেউতাই ৭ বাজোতেও যে অহাই নাই।' এনেদৰে ৰীনাহঁতে দেউতাকলৈ বাট চাওঁতে চাওঁতে থপৰি পৰিল। মাকে ডুকুনীক হোৱালী অকলে ঘৰত এৰি যাবলৈ টান পাইছিল যদিও সিহঁত ডুকুনী টোপনি যোৱাত তেওঁ ওচৰৰে জুলিকৈ লৈ ঘদুৰ ঘৰলৈ গ'ল। ঘদুৰ ঘৰত আকৌ সেইদিনা কোনো পোহৰেই নাই। ৰীনাৰ মাকে হাতত লৈ যোৱা চিমিক-চামাক চাকিৰ পোহৰতেই তেওঁলোকে গেট খুলি সোমাই গ'ল। ৰীনাৰ মাকে দেউতাকৰ যন্ত্ৰণাকাতৰ পৰি থকা দেহাটো দেখা পালে। ৰীনাৰ মাকে এটা বিকট চিঞৰ মাৰি জুলিৰ সৈতে ধৰি ধৰি দেউতাকক ওচৰৰ চিকিৎসালয়ত ভৰ্তি কৰিলে। ৰাতিপুৱা ৰীনাই মাকক বিচনাত নেদেখি দেউতাকক বিচাৰি গৈছে বুলি ভাবি ভনীয়েকৰ লগত খেলি আছে। এনেতে মাকক দেখি ৰীনা আৰু তাইৰ ভনীয়েকে দেউতাকৰ খবৰ ল'লে। ৰীনাৰ মাকে দেউতাকৰ কথা ৰীনাহঁতক সকলো কৈ তাই আৰু ভনীয়েকক সাবটি ধৰি কান্দিবলৈ ধৰিলে। মাকে ঘৰৰ যি দুই-এপদ সোণৰ গহনা কৰিব থৈছিল তাকো ওচৰৰে বাবু প্ৰসাদৰ হাতত দি যি পইচা পালে সেইকেইটাৰে দেউতাকক চিকিৎসা কৰিলে। কিন্তু অত্যাধিক মূৰত প্ৰহাৰ কৰাত দেউতাকে স্মৃতিশক্তি হেৰুৱাই পেলালে।

বহুদিনৰ পাছত দেউতাকক এজন মানসিক ৰোগীৰূপে ঘৰলৈ লৈ অনা হয়। যি দেউতাকৰ আদৰ্শহীন নিয়মবোৰেই ৰীমা আৰু ভনীয়েকক বাৰে বাৰে সোঁৱৰাই দিলে যে মানুহবোৰৰ দৰে প্ৰতিপত্তিশীল ব্যক্তিয়ে সমাজৰ দুখীয়া মানুহক আৰু তাইহঁতক সকলো অধিকাৰৰ পৰা বঞ্চিত কৰি সমাজখন কলুষিত আৰু কলংকিত কৰিছে। এখন ঘৰৰ সুখ-শান্তি নিমিষতে ধূলিসাৎ কৰা এনে পাণ্ডৱীৰি দুৰ্নীতিপৰায়ণ নিষ্ঠুৰ মানুহে সহজ-সৰল মানুহক যি নিৰ্মম অত্যাচাৰ চলাইছে তাৰ প্ৰতিকাৰ বিচাৰ হ'বনে? কিন্তু ৰীমাহঁত নিৰুপায় কিয়নো সিহঁত সমাজৰ সৰু মানুহ, ডাঙৰ মানুহৰ ইচ্ছা-অনিচ্ছা, কাৰু-কাৰ্যত সিহঁত চকুমুদা তুলিৰ ভোৰত থাকিব লাগিব। ৰীমাৰ মাকে আজিকালি দেউতাকৰ দৰে দিনে প্ৰাৰ্থনা কৰে। কাৰণ ৰীমাহঁতকো এদিন শিক্ষিত কৰি সভ্য সমাজত উৎকৃষ্ট আদৰ্শবান জীয়ৰী হিচাপে গঢ়ি তুলিব লাগিব। সিহঁতক গঢ়ি তুলিব লাগিব সমাজৰ কলুষতাবিহীন সুস্থ মানসিকতাৰে গঢ়া সমাজত। য'ত থাকিব দয়া, ক্ষমা, মমতা, সুখ-শান্তি, আনন্দ তথা মানৱীয়তা। ৰীমাৰ মাকৰ যে সেই আশা পূৰ্ণ হ'ল। অতি কষ্টেৰে যোগাৰ কৰা মাকৰ দুবেলা দুসাঁজৰ ভাতৰ লগতে কিতাপ-কাপোৰবোৰ যেন সাৰ্থক হ'ল। ৰীমা আৰু তাইৰ ভনীয়েক অতিয়া একোজনী সমাজৰ আদৰ্শবান যুৱতী। ৰীমা কলেজৰ অধ্যাপিকাৰ লগতে ভনীয়েকো অতিয়া একোজনী সুপ্ৰতিষ্ঠিত অধিবক্তা। আজিকালি ৰীমাহঁতে মাকক লোকৰ ঘৰত কাম কৰিব নিদিয়ে অতি আদৰে মাকক

সান্ত্বিত ৰখাৰ লগতে সেইজাককো সুস্থ হব খুজিলে আৱশ্যকীয় চিকিৎসা গ্ৰহণ কৰিছে। কিন্তু যদুখুৰাৰ সাৰ-ৰাৰে এনেৰ সহজ-সৰল উদাৰ ৰীমাৰ পৰিয়াল নিমিষতে খান-খান হলহেঁতেন সেই খুৰাৰ আজিকালি অৱস্থা একেবাৰে শোচনীয়। নিঃসন্তান যদু খুৰাই নিজৰ স্বাৰ্থলোভী মনোভাৱৰ বাবে আজিকালি আত্মীয়বোৰ মানুহেই তেওঁৰ লগত সম্পৰ্ক নাই কৰিছেই। নিঃসন্তান যদু খুৰাই বৃদ্ধ বয়সত সকলো মাটি-সম্পত্তি বিক্ৰী কৰি সম্পূৰ্ণ দিশহাৰা হৈ পৰিছে।

এইবোৰ কথা ভাবি থাকোঁতেই সেই আদৰ্শীয় মানুহজনৰ 'বাইদেউ' বোলা মাতষাৰহে ৰীমাই স্মৃতি ঘূৰাই পালে। ৰীমাই কোনো কথা নকবাকৈয়ে ছোৱালীজনীৰ পঢ়াৰ সকলো খৰচ বহন কৰিলে। এইদৰে ৰীমাই অতীতৰ বেদনাময় তথা কৰুণ স্মৃতি ৰোমন্থন কৰি এজনী অসহায় ছোৱালীৰ জীৱন আলোকিত কৰাৰ দায়িত্ব গ্ৰহণ কৰিলে।

— শ্ৰীমতী লক্ষ্মীপ্ৰিয়া হাজৰিকা
পঞ্চম ষাণ্মাসিক

# অনুভৱৰ ভুমুকি......

অনুভৱৰ ভুমুকিত জ্বলি থকা এগছি বন্তি....

য'ত থাকে.... হাজাৰজন মানুহৰ মনৰ


আৱেগ- অনুভূতি, শাত- সাহস্ৰ

আশা- আকাংক্ষা........

## শুভ্ৰ আকাশৰ তলত তোমাৰ সন্ধান



মৌনতাৰ মাজত থকা এখন শুভ্ৰ শুকুলি আকাশ। শুকুলি আকাশৰ তলতেই সহস্ৰ মানৱ। ব্যস্ততাৰে ভৰা সকলোৰে জীৱন। কাৰোৰে প্ৰতি ভ্ৰূক্ষেপ নাই। নিজৰ নিজৰ নপতেই ব্যস্ত মানৱ জাতি। দুখ-বেদনাৰে মনৰ কল্পনাৰে বিচলিত হৈ পৰে সকলো। তথাপিও সেই সকলোৰে মাজত মই তোমাক বিচাৰো। কিজানি ব্যস্ততাৰ মাজতেই অলপ সময় তুমি মোৰ বাবে বিচাৰি উলিয়াই লোৱা। কিন্তু কʼতা তুমি দেখোন মোৰ পৰা এতিয়া বহু আঁতৰত। চেষ্টা কৰিও পাব নোৱাৰো মই তোমাক !! কিয় ??




বহুত দূৰ গুচি গলা তুমি। ভাৱৰ মাজে মাজে, পাতৰ আঁৰে আঁৰে তোমাক দেখা পাওঁ। কিজানি তোমাক দেখা পাওঁ। কিন্তু তথাপিও যে তোমাক দেখা নাপাওঁ। "কোনেও মোক বুজি নাপালে, সকলোৱে কেৱল মোক এটাই নাম দিলে"— পাগল.... আচলতে জানা সকলো বস্তুতেই মই তোমাক বিচাৰি ফুৰো। কিজানি তোমাৰ ঠিকনা বিচাৰি পাম। কিন্তু কʼতা তুমি দেখোন নাই। মনৰ কথাবোৰ মনতে থাকিলে আমো হাঁহিবিহীন এটা জীৱন।

—শ্ৰীমতী প্ৰতীক্ষা গগৈ
স্নাতক প্ৰথম বৰ্ষ

# বন্ধুত্ব : এক আবেগিক বন্ধন

"বন্ধুত্ব" অৰ্থাৎ "Friendship" এটি মধুৰ আৰু পবিত্ৰ শব্দ। আবেগ-অনুভূতি, বিশ্বাস আৰু আন্তৰিকতাৰ সুমধুৰ সম্পৰ্কৰ ফলত গঢ় লৈ উঠে বন্ধুত্ব। বন্ধুত্বই দুজন হৃদয়ৰ মাজত প্ৰেম লগ লগায়। সেয়েহে 'বন্ধুত্বক পৃথিৱীৰ আটাইতকৈ মধুৰ আৰু পবিত্ৰ শব্দ বুলি অভিহিত কৰা হয়। ব্যক্তি এজনৰ বাবে বন্ধু সুখ-দুখৰ সমভাগী, সাহস আৰু প্ৰেৰণাৰ উৎস।



সাধাৰণতে একে বয়স, একে পৰিস্থিতিৰ আধাৰত দুই ব্যক্তিৰ মাজত সুহৃদয়তাৰে গঢ় উঠে বন্ধুত্ব। বন্ধুত্বই কেতিয়াও বয়স, লিংগ, জাতিভেদ নামানে। লৰালিৰ খেলিধেমালি আজি কালি দিনৰ সমবয়সীয়াৰ মাজত গঢ়ি উঠাৰ বন্ধুত্বক বৃদ্ধ বয়সৰ দুজন বিপৰীত ব্যক্তিৰ মাজতো বন্ধুত্ব গঢ়ি উঠিব পাৰে। সেয়ে বন্ধুত্ব প্ৰেমৰ আৰু বিশ্বাসৰ এক আবেগিক বান্ধোন।

'A friend is someone who knows all about us, and loves us just some. Friendship is a wonderful relationship, an conecting chemistry between people, which feels like magic.'

এনে এক বিশেষত্বৰ প্ৰতি লক্ষ্য ৰাখি প্ৰত্যেক বছৰৰ আগষ্ট মাহৰ প্ৰথম দেওবাৰে বন্ধুত্ব অৰ্থাৎ 'Friendship Day'

পালন কৰা হয়।

বন্ধুত্ব পাতোঁতে সাৱধান হোৱা উচিত। ব্যক্তিজনৰ বিষয়ে ভাললৈ জানি তাৰ পাছতহে তেওঁৰ লগত ঘনিষ্ঠতা কৰা উচিত। সাধাৰণতে গভীৰ বন্ধুত্ব থকাজনক হৈছেহে সম্ভৱ, যিজনে সুখ-দুখ উভয় সময়তে সহায় কৰে। বন্ধুত্বত স্বাৰ্থ জড়িত নহয়। প্ৰকৃত বন্ধু দাপোনত দৰে। এটা কথা মনত ৰখা দৰকাৰ যে বেয়া বন্ধুতকৈ বন্ধুহীন বা নিঃসংগ হৈ থকাটোৱেই ভাল।

বন্ধুত্ব হৈছে দুখন হৃদয়ৰ মাজত থকা এটি আত্মা। পবিত্ৰ হৃদয়ৰ বান্ধোনেই হৈছে ফ্ৰেণ্ড, ফিল দুষ্কাৰ জন্তু পাইছে।

"Friendship is not rain which comes and goes. Friendship is air which always around us." বন্ধুত্ব অবিহনে মানৱ জীৱনটো নিসংগ। স্বাৰ্থপৰতা আৰু কৃত্ৰিমতাৰ যুগত প্ৰকৃত বন্ধুৱে দিব পাৰে মৰম।

আহক, আমি বিশ্ব বন্ধুত্ব দিৱসত আমাৰ মাজত থকা হিংসা, দ্বেষ, আঁতৰাই পৰস্পৰৰ মাজত মৰম, ভালপোৱা আৰু আন্তৰিকতা গঢ়ি বন্ধুত্বৰ এনাজৰীডাল সুদৃঢ় কৰোঁ।


— শ্ৰীমতী জুলি গগৈ।

# কবিতাৰে কথাৰে......

কবিতা......

আমাৰ বাবে ক্ষোভ-শোক
আনন্দ-বেদনাৰ বহিঃপ্ৰকাশ
কবিতাৰ সু-কোমল পশমৰ
একোপৰাকী বাটকৰা হৈ
লাভ কৰোঁ আমি বিমল আনন্দ....।


# জীৱন



জীৱন কি ৰহস্যময়
এই বিশাল প্ৰকৃতিৰ
অনন্ত বুকুত
সুখ-দুখ হাঁহি কান্দোন
বেথা-বেদনা জীৱনৰ মাজেৰে
পৃথিৱীত দলিচা পাৰি,
ৰামধেনুৰ সাতো ৰঙৰ দৰে
এক সৌন্দৰ্যময়
জীৱনৰ অন্তহীন কামনাত নিজেই
বসন্তৰ মধুৰ পৰশত ।
জয় হয় কেতিয়াবা জানোচা
বিলীন হ'য় ;
লুইতৰ বুকুত জীৱনৰ
আঁচল ছবি ।
আমাৰ আশাৰ সম্ভাৰবোৰ
বানপানীৰ অন্তৰত আছে প্ৰত্যেয়
জগাই তুলিবলৈ
আমাৰ সৰগ ৰচনা কৰি
আকৌ আমি ঠিকনাহীন
অন্তৰৰ অনুভূতিক বিচাৰি
যাবাধুৰি আছোঁ ।
জীৱনৰ প্ৰকৃত অৰ্থ আমাৰ
নতুন প্ৰত্যাশা ॥

শ্ৰীমতী অনুৰাধা পাংগী
স্নাতক প্ৰথম ষাণ্মাসিক


# ধৰ্ষণ



উদণ্ড সমাজৰ
ই এক আনন্দ
যাৰ নাম ধৰ্ষণ
যত চুৰমাৰ হয়
কত জনৰ সন্মান
কত জনৰ জীৱন
ই আজি ফুৰিছে
ব্ৰেকিং নিউজৰ দৰে
চাৰিওফালে
অবিৰতভাৱে
ই এটা যাতনা
এক হত্যাকাৰী
তথাপিও ঈশ্বৰ পিতৃ
জীয়া প্ৰেমৰ এনে।

— সুদীপ্তা দাস
স্নাতক পঞ্চম ষাণ্মাসিক

# শান্তি



দুচকুত আশা আৰু
এবুকু প্ৰত্যয়েৰে
আদৰো আহা; শান্তিৰ নতুন পুৱা
শৰীৰত নতুন বল লৈ
আনৰ বল এৰি দিও
হিংসা কৰিম অৱসান
অহিংসা জয় কৰি
একতাৰে মিলি গাওঁ আহা
মানৱতাৰ জয়গান
মানৱতাৰ জয়গান ।

— শ্ৰীমতী সান্তনা গগৈ
পঞ্চম ষাণ্মাসিক

# লৰালিৰ সোণালী অতীত


মনটো উৰা মাৰে কেতিয়াবা
সেই লৰালিৰ মিঠা খেমালিবোৰলৈ
প্ৰকৃতিৰ কোলাত ঘণ্টৰ খেলা সময়বোৰলৈ।
ফাগুনৰ পচোৱা বতাহত
সৰু সৰু ফুলিবোৰ উৰি যোৱা মুহূৰ্তটো
সুন্দৰ কিম্বা লোভনীয়
দুপৰে ঝাপলৈ
চতুৰ টিপাটিপিয়া বৰষুণত
পথাৰত পজা
সৰু সৰু বনানিত
নিৰ্মল পানীৰ জোঙাবোৰত খেলিবলৈ
পথাৰৰ সৰু সৰু আলিবোৰত
সৰীপাতি খেলকৰা সময়বোৰ
সঁচাকৈ বৰ মায়াবিনী আছিল।
ভেকপাতি ৰজা-ৰাণী খেলা
এইটো কাৰ দল?
ৰজাৰ দল
খেলিম নে নাখেলিম?
কি যে আনন্দ ভৰা আছিল

স্কুলৰ পৰা আহি
বন্ধুৰ সতে
কুটি কুটি খেলা কথাবোৰ
খেলি আছে কৰবাৰ পৰা।
অনন্ত পৰে লৰালিৰ
সেই মিঠা দিনবোৰলৈ
এতিয়া আৰু সেই খেলালিবোৰৰ
অৱকাশ নাই
হেৰাই গ'ল কৰবাত সেইবোৰ
আগবাঢ়ি আহিলো লক্ষ্যৰ দিশত।
এৰি মই আহিলো সেই লৰালিৰ
সোণালী অতীত কৰবাত।

— শ্ৰীমতী আনমনা বৰা
স্নাতক তৃতীয় ষাণ্মাসিক।

# বিষাদৰ দুটিমান স্তৱক

জীৱন ঈশ্বৰৰ দান
এবাৰ হেৰালে ঘূৰাই নাহে,
জীৱনত মৃত্যুৰ দৰে প্ৰেমো সত্য ।
সেয়ে চাগে তোমাৰ আহ্বানত বিমুগ্ধ হৈ
বুকুৰ পদ্মাষত তোমাৰ প্ৰেমৰ বীজ সিঁচি ছিলো




প্ৰতি সন্ধিয়া তোমাৰ প্ৰেমৰ সুবাসত ফুলিছিল কমিনী
কাঞ্চন, ৰজনীগন্ধা আৰু গধূলি গোপাল ।
কিন্তু,
কিন্তু, বৰ্তমান নষ্ট হ'ব ধৰিছে, মই সিঁচা,
তোমাৰ প্ৰেমৰ বীজ ।
এতিয়া কেৱল নিশা ন-বজাত ফুলা নাইট কুইন
জোপাৰ দৰে তোমাৰ অস্তিত্ব ।
নিৰ্বিকাৰ তুমি আৰু মই
প্ৰেম বিশৃংখলতাত দগ্ধ হৈ
ডুব গ'লো দুখৰ সাগৰত ।
কি ভুল আছিল মোৰ ?
কিহৰ শাস্তি স্বৰূপে দি গ'লা
দুচকুত কেৱল অনিদ্ৰা ?
বেদনাই গঢ়া মমৰ মূৰ্তি
জুই দিলেও নগলে ।
চাৰিও দিশে কেৱল শূণ্যতা
আৰু শূণ্যতা

কি দোষ আছিল মোৰ ?
মানিশালিৰ লগত কিয় অনুৰোধ পাৰ দৰে
অসহায় আছোঁ মই ।
মুক্তি বিহীন চিৰুণ অনুশাই মোক
আজিও দহি পুৰি আছে ।
মানুহৰ অসুখ চিৎকাৰ
কোনেও শুনছেন আৰু নুশুনে ।
অসহায়, বিষাদ, অনুশাৰে 'পৰিপূৰ্ণ হৈ
মৰহি যাব ধৰিছো ক্ৰমান্বয়ে ......

শ্ৰীমতি শুক্লী চেতিয়া
স্নাতক তৃতীয় ষাণ্মাসিক
অসমীয়া বিভাগ ।

# বন্ধুত্ব




স্নিগ্ধতাৰ শোভা বিলাই
তুমি আঁতৰাই দিয়া
জীৱনৰ কাইটীয়া বাট
সূৰুযৰ কিৰণ কাঢ়ি আনি
পোহৰাই দিলা
তোমাৰ জীৱনৰ বাট
নিস্বাৰ্থে নাচাবা উভতি
অতীতৰ মলা মৰম বাটে
তোমাক কাৰি ভুলিব পাৰে দুৰ্বল
দুৰ্বলতাৰ সুযোগতে অমকি ঘৰ পাৰে
তোমাৰ যেমন দুৱৰি
ভাঙি যাব পাৰে
তোমাৰ সোণালী সপোনবোৰ
তেতিয়া জানো পাৰিম মই
সুধৰে অওৰাথ জীৱন ?
পাৰিম জানো চাই থব
তোমাৰ দুখৰ কলিকাবোৰ ?
নোৱাৰো
কেতিয়াও নোৱাৰো কাৰণ,
মই তোমাৰ অতীত বৰ্তমান ভবিষ্যতৰ
প্ৰতিশ্ৰুতি এনাজৰীৰে বন্ধা
আজীৱন বান্ধৱী ।

— শ্ৰীমতী সুমন গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক


# শৈশৱ

"সোণোৱালী আখৰেৰে লিখিলো মই শৈশৱৰ কাল",
কত ৰ'ঙৰ [illegible] পখি জিলিকি উঠিল
মনোমোহা দীপ্তিৰ আভাস,
কত দিন নিজানত বহি কৰিছিলো মই
নেদেখা জনৰ আমনি,
তথাপিও নাপালো তাৰ কোনো ফল,
কত বিপদ বিঘিনিৰ মাজেৰে পাৰ হ'ল মোৰ শৈশৱ
আহেনেকি কেতিয়াবা সেই হুমুনিয়াহ
যি দি থৈ যায় সেই সন্ধ্যা,
আছেনেকি কোনোবা এই পৃথিৱীত
এখনি পোহৰ বিলাই যায়,
তথাপিও বিচাৰো মই এই পৃথিৱীৰ পৰা
এটি সুখ সমৃদ্ধিৰ জীৱন।



– চুমী মনিকৰ
স্নাতক তৃতীয় ষাণ্মাসিক

# নাৰী



নাৰী তুমি অপৰূপা, অনন্যা আৰু অলংকৃতা
তোমাৰ কি ৰূপ, কোনে বুজিব পাৰে,
নাৰী কাৰোবাৰ বাবে তুমি হয়তু 'মাতৃ'
কাৰোবাৰ বাবে হয়তু 'ভগ্নী'
কাৰোবাৰ হয়তু 'প্ৰেয়সী'।
মাতৃ ৰূপত তুমি জন্মদাত্ৰী, ধৈৰ্যদাত্ৰী,
ভগ্নী ৰূপত তুমি সৰ্বসীমাৰ আশ্ৰয়কৰ্ত্তী
হৈ ৰৌ ভনীৰ মৰমৰ সম্ভাৰ
প্ৰেয়সী ৰূপত তুমি প্ৰেৰণাদায়ী।
কোমল কলি নাৰী তুমি
অবলা দুৰ্বলা তুমি
তুমি সাহস আৰু কামনাৰ প্ৰতীক।
অতীজৰে পৰা তুমি বিভিন্ন ৰূপত
পূজিত হৈ আহিছা দেৱ সমাজত
বৰ্তমান সময়ৰ অসূয়া অপ্ৰীতি
ছিঃ আ সমাজ তুমি জানো দেখা নাই?
সেয়েহে... তুমি হাতত তুলি লোৱা অস্ত্ৰ
তোমাৰ সন্তানসকলক বুজাব লাগিব
"হে নাৰী নকৰিবা পলম আৰু.....
দেখুৱাই দিয়া তোমাৰ অপৰাজিত ৰূপ।
কনকলতা, মূলাগাভৰু, লক্ষ্মীবাই
এয়াতো তোমাৰে ৰূপ

নাৰী তুমি এতিয়া জাগি উঠা
নিৰ্মল কৰা সমাজৰ
বিকৃত ৰূপ............।


শ্ৰীমতী মৃন্ময়ী দুৱৰা
পঞ্চম ষাণ্মাসিক

## সাঁথৰ

(১) গুণ গুণ কৰে কিন্তু ভোমোৰা নহয়,
লগুণ আছে কিন্তু বামুণ নহয়?
উঃ ঘঁতৰ।

(২) এটা নিগনি এজা ধান কুটে, নেগুৰত
ধৰিলে জাপ মাৰি উঠে?
উঃ- ঢেঁকী।

(৩) লোহাৰত জনম, লোহাৰকে খায়, দহ
দেশৰ লগত যুঁজিবলৈ যায়।
উঃ- বন্দুক।



## নিয়তিৰ পৰিহাস

এখন ফৰকাল আকাশ
হঠাতে বিজুলী, ঢেৰেকণিয়ে নমাই আনে
আকাশৰ বুকুলৈ,
এক গভীৰ অন্ধকাৰ।
কলা আকাশ হৈ পৰে
কলা কাপোৰ পিন্ধা এক ভয়ংকৰ দানৱ
মুহূৰ্ততে ছাৰখাৰ কৰি গুচি যায়
এক অন্য দেশলৈ,
নিয়তিৰ কি পৰিহাস!
বহু কষ্টৰ ত্যাগত গঢ়ি উঠা পৃথিৱীখন
এজাক কাল ধুমুহাই
ধূলিৰ লগত বিলীন কৰি লৈ যায়
সকলো সাতোৰঙী বামধেনুৰ দৰে
সপোনবোৰ চকুৰ অচাৰতে অদৃশ্য হৈ পৰে
কলা মেঘে ঢকা আকাশৰ মাজত
ভাৱৰে উৰুৱাই লৈ যায়
দূৰ-দিগন্তলৈ......।
শূন্যতাৰে পৰি ৰয় এখন উকা কাগজ
যত থাকে মাথো যন্ত্ৰণাৰ ছাঁ।
আকৌ নিস্তব্ধ হৈ পৰে নিয়তি
উজ্জ্বলি উঠে এক ৰঙীন পুৱা,
জীপাল হৈ উঠে জীৱনৰ নৱস্বপ্নবোৰ
এয়াই নিয়তি।
নিয়তিৰ কঠোৰ যন্ত্ৰণাই গ্ৰাস কৰা
প্ৰকৃতিখন

চিত্রলিপি— ওঠে— সুনাম— সমুদয়— সমাজে।

— শ্রীমতী জ্যোতি পাল

লেখিকা অমলা আমাদের

# গাঁৱলীয়া ছোৱালীজনী

নিদিবি অ' আই শোক
বিয়া চহৰীয়া ডেকালৈ,
থাকিম সদায় তোৰ সেই
গাঁৱলীয়া ছোৱালীজনী হৈ।
অচিনাকী সেই চহৰীয়াৰ
ঠেক মনবোৰ, আশাবোৰ
নুবুজো, বুজি উঠো আশো
মোৰ চোতালৰ বোকা-মাটিৰ
চিনাকী কেঁচা গোন্ধবোৰ।
বৰদৈচিলাৰ বোকোচাত উঠি
দাৰিকাৰ আঁকোৰে বিপাকে পো
লেচেৰি বোৰ বুটলি,
আঘোণৰ আবতৰীয়া বৰষুণত
তিতি দৌৰিছিলো
ধান খাবিৰোলৈ বুলি।
আমনি বামে নিয়া দাইলৰ
সোৱাদ লবলৈ নাপাই,
কান্দিছিলো চিএওৰি, চিএওৰি।



তোৰ জানো একো মনত নাই ?
ঠেলাত কঢ়িয়াই অনা বাউৰিব—
ওপৰত বহি আহিছিলো
ভাগৰি ধৰলে বুলি
আবেলিৰ বেলিটিক এবাৰ ।
খেলত আঁকোৰেদি বহি বহি
পাৰ হোৱা তৰামাই, নিজুবৌক
দেখি খিলখিলাই হঁহা
'চুমুঁজনী আজি
উমনা গাভৰু হ'ল.... '
তোৰ জানো একো মনত নাই ?
ন-দুইত ধুবুৰীঘে খোৱা
কঠিয়াবোৰে সপোনক সজাল
কৰি তুলিছিল আত্মীয়তাৰে ।
চিনাকী সেই মধুৰ স্মৃতিবোৰে
মোলৈ চাই কৃপণালি কৰে,
আজি, তই নাই.....
শৈশৱৰ সপোনে আজিও সোক
আতে বিভিয়াই.... '
নোৱাৰো অ' পাহৰিব এইবোৰ
সেয়ে, কাৰো কৰিছো আকৌ এবাৰ

নিদিবি ত' আই শোক
বিদ্যা উদ্ধাৰীয়া, যেকালৈ,
থাকিম সদায় তোৰ সেই
পাঁৰলীয়া গোৱালীজনী হৈ ॥

— শ্ৰীমতী দৰদী গোঁহাই
পঞ্চম ষাণ্মাসিক

# কৌতুক! কৌতুক! কৌতুক! কৌতুক!

১. ভিক্ষাৰী : দয়া কৰি এটকা এটা দিয়কচোন

বাটৰুৱা : আৰে এটকাৰে কি হ'ব, তোমাৰ ?
পাঁচ টকা কিবা নাই কিয় ?

ভিক্ষাৰী : মই মানুহৰ স্বভাৱ চাইহে পইচা খোঁজো ।

২. শিক্ষক : কোৱাচোন, গাধ আৰু মানুহৰ মাজত
পাৰ্থক্য কি ?

ছাত্ৰ : মানুহক গাধ বুলি ক'ব পাৰি, কিন্তু গাধক
মানুহ বুলি ক'ব নোৱাৰি ।

৩. এগৰাকী মহিলা তেওঁৰ বান্ধৱীৰ ঘৰলৈ ফুৰিবলৈ গ'ল । ঘৰ সোমায়েই শুনিলে, কোনোবাই অবিৰাম গতিত হুইচেল বজাই আছে । আলহী গৰাকীয়ে ক'লে— হেৰা, ঘৰত অনৱৰতে কোনে হুইচেল বজাই আছে ? মোৰ কাণ তাল মাৰি গৈছে । তাক বন্ধ কৰিবলৈ কোৱাচোন ।

বান্ধৱীয়ে উত্তৰ দিলে— সেইজন মোৰ ৰান্ধনি । মই তাক এনেদৰে অবিৰতভাৱে হুইচেল বজাই থাকিবলৈ কৈছোঁ । সি হুইচেল বজাই থাকিলে মই নিশ্চিত হওঁ যে, সি পাকঘৰত একো বস্তু মুখত দিয়া নাই ।

হাঃ হাঃ হাঃ

## কিছুমান জানিবলগীয়া সৰু সৰু কথা :

ক. পৃথিৱীত প্ৰতিদিনে সকলো ঠাইতে গোৱা আটাইতকৈ জনপ্ৰিয় গীতটো হৈছে 1936 চনত তিলদাৰ্দ পেটিহিলে লিখা " Happy birthday to you " ।

খ. চুহংমুং বা স্বৰ্গনাৰায়ণে প্ৰথমে "স্বৰ্গদেউ" উপাধিটো গ্ৰহণ কৰিছিল ।

গ. ভাৰতৰ "Small israil" বা "সৰু ইজৰাইল" বুলি মিজোৰামক কোৱা হয় ।

ঘ. ৰাষ্ট্ৰপতিৰ পদটো খ্ৰীষ্টিয়ানসকলৰ আৰু প্ৰধানমন্ত্ৰীৰ পদটো মুছলমানসকলৰ বাবে সংৰক্ষণ কৰি থোৱা বিশ্বৰ একমাত্ৰ দেশখন হৈছে "লেবানন"।

ঙ. মধ্যযুগৰে পৰা ত্ৰিপুৰাৰ ৰজাসকলক মাণিক্য বা মহামাণিক্য উপাধি প্ৰদান কৰা হৈছিল ।

চ. কাৰ্বি ভাষাত নিৰ্মিত প্ৰথম কথাছবিখন হ'ল "ৰংশৰকিপু" ।

ছ. চাহ জনগোষ্ঠীৰ লোকসকলে কাতি বিহুৰ লগত সংগতি ৰাখি পালন কৰা উৎসৱটো হৈছে - "সহৰাই পৰব" ।

জ. বাইবেলৰ আটাইতকৈ চমু শ্লোকটো হৈছে— "Jesus wept"।

ঝ. বৰ্তমান সময়ত বহুলভাৱে ব্যৱহৃত হোৱা বাল্বটো হৈছে- CFL (Compact Fluorescent Lamp), আৱিষ্কাৰক হৈছে— এডৱাৰ্ড ই হেমাৰ।

ঞ. জিভাৰে কাণ সজুৱা পৃথিৱীৰ একমাত্ৰ প্ৰাণী বিধ হৈছে- "জিৰাফ"।

ট. পৃথিৱীৰ আটাইতকৈ ডাঙৰ ফুলপাহ হৈছে- "ৰেফ্লেচিয়া আৰ্নল্ডাই"।

ঠ. এটা হাতীয়ে তিনি কিলোমিটাৰ দূৰৰ পৰাই পানীৰ উৎসৰ গন্ধ পায়।

ড. ভাৰতৰ অদূষণমুক্ত চহৰ দুখন হৈছে- "শ্বিলং আৰু টুটিক'ৰিন"।

ঢ. "The Quick Brown Fox Jumps over the Lazy dog" এই বাক্যশাৰীত ইংৰাজীৰ ২৬-টা আখৰ সন্নিবিষ্ট হৈ আছে।

সুদিপ্তা দাস
স্নাতক পঞ্চম ষাণ্মাসিক।

# কুইজ কুইজ কুইজ কুইজ

১. ভাৰতীয় সাহিত্যৰ বাবে আগবঢ়োৱা সৰ্বোচ্চ সন্মান জ্ঞানপীঠ পুৰস্কাৰ কোন চনৰ পৰা প্ৰদান কৰা হৈছে?

— ১৯৬৫ চনৰ পৰা।

২. প্ৰথম জ্ঞানপীঠ পুৰস্কাৰ কোনে লাভ কৰিছিল?

— শংকৰ কুৰূপ।

৩. সাহিত্য অকাদেমীৰ পুৰস্কাৰ কোন চনৰ পৰা প্ৰৱৰ্তন কৰা হৈছে?

— ১৯৫৪ চনৰ পৰা।

৪. 'স্বামী আৰু বন্ধু' গ্ৰন্থৰ লেখকৰ নাম কি?

— আৰ. কে. নাৰায়ণ।

৫. 'ভাৰতৰ সংগীত' (Songs of India) গ্ৰন্থকাৰৰ নাম কি?

— সৰোজিনী নাইডু।

৬. 'অগ্নিবীণা' গ্ৰন্থখন কোনে ৰচনা কৰিছিল?

— কাজী নজৰুল ইছলাম।

৭. 'ইণ্ডিয়া ডিভাইডেদ' গ্ৰন্থৰ ৰচক কোন?

— ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ।

Scanned with OKEN Scanner

৮. 'গীতগোবিন্দ' গ্ৰন্থখনৰ ৰচক কোন ?

— জয়দেৱ ।

৯. 'লাইফ ডিভাইন' গ্ৰন্থৰ ৰচক কোন ?

— শ্ৰী অৰবিন্দ ।

১০. 'প্ৰিজন ডায়েৰী' কোনে ৰচনা কৰিছিল ?

— জয় প্ৰকাশ নাৰায়ণ ।

১১. "ঋতু সমাহাৰ' কোনে ৰচনা কৰিছিল ?

— কালিদাসে ।

১২. 'লাইফ এণ্ড টাইমছ্' কোনে ৰচনা কৰিছিল ?

— ভি. ভি. গিৰি ।

১৩. দশৰথ নামটোৰ অৰ্থ কি ?

— একেলগে দহখন ৰথ চলাব পৰা ।

১৪. কোনবিলাক মানুহ অধিক ক'লা ?

— যাৰ দেহত মেলানিনৰ পৰিমাণ বেছি ।

১৫. 'স্বৰ্ণ মন্দিৰ'ৰ নগৰ বুলি কাক কয় ?

— অমৃত সৰক ।

১৬. ২০০৮ চনৰ 'মাধৱদেৱৰ বটা' লাভ কৰা অসমীয়া সাহিত্যিক জন কোন ?

— ৰংবং তেৰাং ।

১৭. মহাকাশত স্থাপন কৰা প্ৰথমটো ষ্টেচনৰ নাম কি ?

— চেলিউট ।

মায়াশ্ৰী বৰা ।

স্নাতক তৃতীয় ষাণ্মাসিক ।

## মহৎ লোকৰ বাণী

ক. কোন কি জাতিৰ ভগৱানে সেইটো নাচায়। কোনে কি কৰে সেইটোহে চায়।

— গুৰু নানক।

খ. তুমি আহসী হোৱা কাৰোবাক হত্যা কৰিবলৈ নহয়। প্ৰেমেৰে আকোৱালি ল'বলৈ। প্ৰেমে কাকো মাজত বিভাজন নামে; বৰং ভগৱানৰ লগত তোমাক আগুৰেৰেহে।

— মাদাৰ টেৰেছা

গ. তোমাৰ বৃত্তবৰ্ণঘণ্টা তোমাৰ ছাঁৰ দৰে, ইয়াক ধৰিবলৈ চেষ্টা নকৰিবা, নিজৰ পথত আগুৱাই যোৱা। ই নিজে নিজে তোমাক অনুসৰণ কৰিব। আশা মনত ৰাখিবা তোমাৰ গতি বিন্দু পোহৰৰ দিশে হ'ব লাগিব।

- এ. পি. জে আব্দুল কালাম

ঘ. কোনোৱে তোমাক সহায় কৰিব নোৱাৰে। নিজেই নিজৰ সহায় লোৱা।

- বুদ্ধদেৱ

ঙ. জীৱনত আগুৱাই যাব বিচাৰিছা যদি, বাস্তৱৰ সন্মুখীন হ'বলৈ শিকা।

- জুলিয়েট বেভিয়েনা

সুদিপ্তা দাস
স্নাতক পঞ্চম ষাণ্মাসিক

# মহৎ লোকৰ বাণী

ক. মনক লাঠিৰে স্পৰ্শ কৰা নাযায়। দয়া, প্ৰেম আদি মনৰ কোমল অনুভূতিৰেহে মন স্পৰ্শ কৰা যায়।

— ৰামকৃষ্ণ পৰমহংস।

খ. মানুহে তোমাক নেজানে বুলি আক্ষেপ নকৰিবা। এনেভাৱে কাম কৰি যোৱা যাতে তুমি মানুহৰ জানিবৰ যোগ্য হোৱা।

— কনফুচিয়াচ।

গ. যিমানেই বিলাই দিবা, সিমানেই মহান হ'বা, তাৰ নাম সঁচা মানৱতা।

— ড° ভূপেন হাজৰিকা।

ঘ. মূৰ্খ এজনক মনে-মনে থাকিবলৈ দিয়াটো বেয়া ব্যৱহাৰ আৰু তেওঁক অনুসৰ হ'বলৈ দিয়াটো হ'ব নিষ্ঠুৰতা।

— বেঞ্জামিন ফ্ৰেংকলিন।

শ্ৰীমতী কিন্নী দাস।

স্নাতক পঞ্চম ষাণ্মাসিক।



Scanned with OKEN Scanner